চান্দমামা

জুলাই ১৯৮৮



ৰেনুৰ হয় দুষ্ট সখীহঁতৰ লগত
তাই সদায় হব গুৰি কিহৰনো বলত
নিজেই খেলিব এনে এক খেল
তাকে দেখি সখীহঁতে কৰিব মেল!
ৰঙীন এক' স্কেচ পেন লৈ
আঁকিলে পুতলা লৰালৰিকৈ
দুষ্ট-খৰিয়াল পাহৰি গৈ
সখীহঁতো আছিল খৰখেদাকৈ!
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা,
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা,
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!
বিনামূল্যে!
কলৰিং ফোল্ডাৰ
EKCO
এক'
স্কেচ পেন ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশান ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোড, ভিলে পাৰ্লে (পূব) বোম্বাই-৪০০ ০৫৭

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

–from an IMRB survey conducted in Oct. 1986

It's an unusual magazine. It has a vision for today and tomorrow.

It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.

More than 80% of The Heritage readers are reading an issue more than once.

And over 90% are slowly building their own Heritage collection.

Isn't it time you discovered why?

THE HERITAGE

CMP-2155

So much in store, month after month.

APOLLO

Make your mark... with **APOLLO**
PENCILS

APOLLO PENCILS PVT. LTD.
107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West),
Bombay--400 015. Ph.: 4133295/4133215.

3 Brothers/AP/2488

Distributors: GREATER BOMBAY . **D. Jagjivandas & Company**, 177, Abdul Rehman Street, Bombay-400 003. Ph.: 326524 MAHARASHTRA : **A. Aalok & Company**, 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215 GUJARAT : **N. Chimanlal & Co.** Jesmin' Building, Near Firdaus Flats, Khanpur, Ahmedabad-380 001 . Ph.: 395198/399570 DELHI, HARYANA, PUNJAB, J.K. & HIMACHAL PRADESH: **Bharati Traders,** 89, Chawn Bazar, Delhi-110 006. Ph.: 262854 KARNATAKA ANDHRA PRADESH & GOA : **Sanghvi Corporation**, Suresh Bldg., No. 17, 4th Cross, Kalasipalayam, New Extension, Bangalore-560 002. Ph.: 225702. CALCUTTA & WEST BENGAL : **Sanghvi Corporation,** 14/1/1A, Jackson Lane, 2nd Floor, Calcutta-700 001. Ph.: 262141 UTTAR PRADESH: **Sanghvi Corporation,** 7-A, Balmiki Marg, Kaisar Bagh, Lucknow-(U.P.) Ph.: 48301 TAMIL NADU . **Sanghvi Corporation** : Bafna Complex, 1st Floor, 35, Strotten Muthia Mudaliar Street, Madras-600 079. Ph.: 22304. REST OF INDIA . **Sanghvi Corporation,** 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215.



CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

MAGGI CLUBBERS FUN LOVERS
MAGGI CLUB

ৰং তামাচাৰ জগতত প্ৰবেশ কৰা - মেগী ক্লাবৰ সদস্য হোৱা !

সদস্য হবৰ বাবে, কেৱল ৫ টা খালি মেগী নুডল পেকৰ সমুখৰ ফালে থকা 'Maggi 2-Minute Noodles'—এই নামটো কাটি উলিওৱা আৰু আমালৈ পঠাই দিয়া। আজীৱন সদস্য কৰিবলৈ আমি তোমালোকলৈ পঠাম এটা 'ছুপাৰ মেগী ক্লাব মেম্বাৰশ্বিপ বেজ' আৰু এখন সদস্যভুক্তি প্ৰমাণপত্ৰ। ইয়াৰ উপৰি তলত উল্লেখ কৰা যিকোনো এবিধ উপহাৰ বাচি লোৱাৰো সুযোগ পাবা—

* মেগী স্কুল ফান ছে'ট (এখন টাইমটেব্‌ল আৰু ২০ খন কিতাপৰ লেবেল) * মেগী ট্ৰেফিক গেম * চাইনীজ পাজ্‌ল্ * মেগী পোষ্টাৰ ছে'ট * ডিচনী টুডে কমিক (প্ৰতিবাৰে শেহতীয়াখন)

ইচ্ছা কৰিলে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত তোমালোকে এই ৫ টা উপহাৰৰ আটাইবোৰেই সংগ্ৰহ কৰিব পাৰিবা, মাত্ৰ প্ৰতিটো উপহাৰৰ বাবে ৫ টাকৈ খালি পেক পঠাব লাগিব।
অকল সেয়েই নহয়, ভৱিষ্যতে মেগী ক্লাবত বহুতো আনন্দ উত্তেজনাৰ ব্যৱস্থা আছে। গতিকে আজিয়েই ইয়াৰ সদস্য হৈ লোৱা।

মনত ৰাখিবা!

মেগী পেকৰ পৰা কাটি উলিওৱা নামকেইটা, ৬০ পইচাৰ টিকট লগোৱা এটা লেফাফাৰ ভিতৰত ভৰাবা আৰু এটুকুৰা কাগজত এই কথাখিনি বিত কৈ লিখিবা :

নাম : সম্পূৰ্ণ ঠিকনা : বয়স : লৰা/ছোৱালী :

কাটি উলিওৱা মেগী নামটোৰ পঠোৱা সংখ্যা : তুমি বিচৰা উপহাৰ :

চিঠি এই ঠিকনাত পঠাবা—

দি মেগী ক্লাব, পোষ্ট বক্স নং ৫৭৮৮, নিউ দিল্লী-১১০০৫৫

MAGGI 2-minute noodles

HTA 6026ASS

CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চ ক্র পা ণি * বি নাগিৰেড্ডি

এই সংখ্যাৰ চান্দমামাত 'সাত বছৰীয়া বিজ্ঞানী' এজনক চিনাকি কৰি দিয়া হৈছে। এই 'সাতৰি সোণ'ক ৯ পৃষ্ঠাত পোৱা যাব। আৰু এই একেখন পাততে আছে পৃথিৱীত প্ৰথম বাৰৰ বাবে দেখা পোৱা নতুন জন্তু এটিৰ পৰিচয়। চোৰ ধৰাৰ এক অভিনৱ কাহিনী আছে ৩৪ পৃষ্ঠাত। কাছৰ পৰিত্যক্ত খোলা যে কিমান বিস্ময়কৰ হ'ব পাৰে সেই কথা ৫১ পৃষ্ঠাত থকা 'ডলা-মূৰীয়াৰ খোলা'ত কোৱা হৈছে। এই সংখ্যাত 'স্বৰ্ণ উপত্যকা'ৰ কাহিনী ৰহস্যময়। মুঠতে, এই সংখ্যাৰ সকলো গল্প-কাহিনী 'পঢ়িলে এৰিব নোৱৰা বিধৰ আকৰ্ষণীয় আৰু লগতে অতি শিক্ষণীয়।

অমৰ-বাণী

যৎ তদগ্ৰে বিষমিব পৰিণামে মৃতোপমম্॥
তৎ সুখম্ সাত্বিকম্ প্ৰোক্তমাত্ম বুদ্ধি প্ৰসাদজম্॥

[প্ৰথমৰ ফালে বিষাক্ত তথা ভয়ংকৰ যেন বোধ হ'লেও নিৰ্মল সাত্বিক জীৱনৰ যোগেদি সুখলাভ কৰাজনে ক্ৰমাত্ সুখাবহ অমৃতৰ সমান আনন্দ লাভ কৰিব পৰা হয়।]

বছৰ: ১৩ জুলাই ১৯৮৮ সংখ্যা: ৪

খনে: ২'৫০ টকা: : বছৰেকীয়া বৰঙণি: ৩০'০০ টকা

APOLLO
Launch pad..
for super drawing
APOLLO
Little People
CRAYON PENCILS
– for space age kids like you.
APOLLO PENCILS PVT. LTD.
107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West),
Bombay-400 015. Ph.: 4133295/4133215.
Distributors: GREATER BOMBAY: D. Jagjivandas & Company, 177, Abdul Rehman Street, Bombay-400 003. Ph.: 326524 MAHARASHTRA: A. Aalok & Company, 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215 GUJARAT: N. Chimanlal & Co. 'Jasmin' Building, Near Firdaus Flats, Khanpur, Ahmedabad-380 001. Ph.: 395198/399570 DELHI, HARYANA, PUNJAB, J.K. & HIMACHAL PRADESH: Bharati Traders, 89, Chawri Bazar, Delhi-110 006. Ph.: 262654 KARNATAKA, ANDHRA PRADESH & GOA: Sanghvi Corporation, Suresh Bldg., No. 17, 14th Cross, Kalasipalayam, New Extension, Bangalore-560 002. Ph.: 225702 CALCUTTA & WEST BENGAL: Sanghvi Corporation, 14/1/1A, Jackson Lane, 2nd Floor, Calcutta-700 001. Ph.: 282141 UTTAR PRADESH: Sanghvi Corporation, 7-A, Balmiki Marg, Kaisar Bagh, Lucknow-(U.P.) Ph.: 48301 TAMIL NADU: Sanghvi Corporation: Batna Complex, 1st Floor, 35, Strotten Muthia Mudaliar Street, Madras-600 079. Ph.: 22304. REST OF INDIA: Sanghvi Corporation, 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215.
3 Brothers/AP/3788



কেম্পকো'ৰ
অৱদান
নতুন
এক্লেয়াৰ্চ যাৰ ভিতৰত অধিক চকলেট
নতুন কেম্পকো চকলেট এক্লেয়াৰ্চৰ এটা পেকেট মাত্ৰ খুলি চাওক। চাওঁতে চাওঁতেই আপোনাক ঘেৰি ধৰিবহি এদল হাঁহিভৰা মুখে। আৰু আপুনি সজাগ হোৱাৰ আগতেই আপোনাৰ হাতত ৰৈ যাব মাত্ৰ এটা খালী পেকেট!
অৱশ্যে এইটো সত্য যে তেওঁলোকে অন্তহীন প্ৰশস্তিৰে আপোনাক মোহিত কৰিব।
কেম্পকো চকলেট এক্লেয়াৰ্চ
Chocolate Eclairs
Campco
ভাৰতৰ সৰ্ববৃহৎ, সৰ্বাধুনিক প্লাণ্টৰ উপহাৰ
কেম্পকো লিমিটেড মাঙ্গালোৰ
R K SWAMY/CL/5197/AS

মূলেই সুত

শ্ৰীপুৰ গাঁৱত ললিতৰ দোকানতে বিক্ৰি আটাইতকৈ বেছি। এই কাৰণেই, গাঁৱত অন্য অন্য দোকান আৰু দোকানী থকা সত্ত্বেও ললিতকহে গাঁৱৰ আটাইতকৈ ধনী মানুহ বুলি ৰাইজে ভাবিছিল। পিছে—অন্য অন্য ধনিক লোকসকলে অন্য অন্য লোকক টকা ধাৰলৈ দি সুত লোৱাৰ দৰে, ললিতে টকা ধাৰলৈ দিলেও কাৰোপৰা কদাপিও সুত নলৈছিল। ললিতে তাৰ ব্যৱসায়ৰ তহবিলৰপৰাই এভাগ টকা আঁচুতীয়াকৈ থৈ দিছিল, কাৰোবাক লাগিলে বা দিলে, সেইখিনিৰপৰাহে ধাৰলৈ দিছিল।

ললিতৰ ঘৰৰ নিচেই কাষতে এজন সুতৰ কাৰবাৰী আছিল। ললিতৰ এনে উদাৰচিতীয়া কাম এইজন মানুহে একেবাৰে ভাল নাপাইছিল। এদিন এই মানুহজনে ললিতক ক'লেগৈ, "ললিত, তুমি যে বেহা-বেপাৰ কৰি ঢেৰ উপাৰ্জন কৰিছা বা কৰি আছা, আমি জানো। কিন্তু কষ্ট কৰি উপাৰ্জন কৰা ধনখিনি এনেকৈ এনেই ধাৰলৈ দিয়াটো উচিত কাম নহয়। যাক দহ টকা দিছা, তাৰপৰা তুমি দহ টকাৰে লৈছা। তাৰ ফলত তোমাৰ উপাৰ্জনত লোকচান হোৱাৰ উপৰিও—ধাৰ পৰিশোধ নকৰা হ'লে দেখোন তোমাৰ মূলখিনিৰো মূদা মৰিব!"

এই কথাৰ উত্তৰত ললিতে হাঁহি মাৰি ক'লে, "কিন্তু তুমি মোক যিমান ভেদেভা বুলি ভাবিছা, মই আচলতে কি বোলেনে—সিমানটো নহওঁ নহয়? ধাৰলৈ দিয়া দহটকীয়াখন আচলতে সুতে-মূলে দহহে। মই মূল দহটকাৰ লগত সুতো আগৰেপৰাই ভৰাই থৈছে কষ্টৰ ধন নষ্ট নকৰি যথেষ্ট লাভ ৰাখি ধাৰলৈ দিওঁ। সেয়েহে—মোৰ মূলেই হ'ল সুত!"

বৰ কথাৰ ভঁৰাল

‘জেপত নাই ধনৰ ভৰ, অহম্‌কাৰৰ ভঁৰাল-ঘৰ’। নাৰায়ণৰ অৱস্থাও আছিল এনেকুৱা। জেপত ফুটাকড়ি নাথাকিলে কি হ’ব, অহংকাৰত সদায় সি উতলিছে। কিন্তু নাই নাই বুলিও হাতীৰ শুঁৰত একলহ পানী থকাৰ দৰেই, নাৰায়ণৰো, যিথিনি আছিল, বহুতৰেই নাই, নাছিহ। সি দহোৰাইজক সহায় কৰিছিল ; কিন্তু সি নিজে কাৰোপৰা সহায়-তহায় নলৈছিল। আৰু সি আছিল বৰ গোঁৱাৰ। তাৰ দপদপনি আৰু দম্ভালিৰ কথা ৰাইজে আঁৰত চৰ্চিছিল। নাৰায়ণক সকলোটিয়েই তাৰ পিছত সাত পাচি গোবৰ থকা বুলি ভাবিছিল ; তথাপি ফালি-ফোঁটে নমস্কাৰ কৰিছিল। কিন্তু এনেহেন নাৰায়ণেই এদিন এজন অতি সাধাৰণ বীৰভদ্ৰ নামৰ মানুহজনক উপযাচি ক’লেগৈ, “হেৰি, এটা বিষয়ত আপোনাৰপৰা মোক সহায় অলপ লাগে।”

বীৰভদ্ৰৰ ওচৰত কেইজনমান মানুহ বহি আছিল। বীৰভদ্ৰয়ো তেতিয়া কেইজনমানৰ ওচৰত তাৰ নিজৰ বিষয়ে বৰ বৰ কথাৰ ডাংকোপ মাৰি আছিল। বীৰভদ্ৰ আছিল ধনী মানুহ। বিভিন্ন সহায় বিচাৰি বহুতেই তাৰ কাষ চাপিব-লগীয়া হয়, আৰু সেইদেখি ভাল পাওক-নাপাওক, তাৰ ফুটনি ফুটনি কথা বাধ্যত পৰি শুনিবওলগীয়া হয়। তেতিয়া বীৰভদ্ৰৰ ধুমুৰমিছা ফুটনি শুনি মানুহ কেইজনে যেতিয়া মূৰ দুপিয়াই দুপিয়াই হয়ভৰ দি আছিল, ঠিক তেতিয়াই দহ বুলিলে দহ আৰুপঁচিছ বুলিলে পঁচিছ

‘বসুন্ধৰা’

হোৱা দক্ষিমৰা নাৰায়ণে বীৰভদ্ৰৰপৰা সহায় খুজিলেগৈ!

"কেনেকুৱা সহায় লাগেনো? কোৱাঁ।" বীৰভদ্ৰই বাহু ডাক্ষি মাৰি সুধিলে।

"মোৰ ছোৱালীজনীৰ বিয়া পাতিম বুলি ভাবিছোঁ। তিনিশমান মোহৰ [সোণৰ মুদ্ৰা] ধাৰ হিচাপে লাগে। আৰু—"

হাত দাঙি নাৰায়ণক ৰখাই বীৰভদ্ৰই কৈ উঠিল, "ঠিক আছে, ঠিক আছে। ইমানকৈ ক'ব নালাগে। তোমাকো নিদিয়াকৈ পাৰোঁনে? পাবা।"

"নহয়, আপুনি মোহৰ দিব নালাগে। মোহৰ দিব চেনিৰাম চাহুৱে, আপুনি সাক্ষী হিচাপে থাকিলেই হ'ব। নহ'লে চাহুৱে মোক নিদিয়ে।" নাৰায়ণে ক'লে।

"মাত্ৰ তিনিশ মোহৰৰ বাবে চাহুক খোচামতি? নালাগে কৰিব। ময়ে দিম।"

"নাই নাইঃ—" নাৰায়ণে টপৰাই কৈ উঠিল, "আপুনি দিব নালাগে। আপুনি দিলে সুত-টুত নলয়, মোৰ বেয়া বেয়া লাগি থাকিব।"

কিন্তু তথাপি বীৰভদ্ৰই যেতিয়া নাৰায়ণক মোহৰ তিনিশ নিবলৈ বৰকৈ জোৰ-জবৰি কৰি থাকিল, তেতিয়া নাৰায়ণে ক'লে, "আপোনাৰ যদি ইচ্ছা নাই—চাহুৰ ওচৰত জামিন নহ'ব, মই আন কাৰবাক ধৰিমগৈ।"

এই কথা শুনি বীৰভদ্ৰই কৈ উঠিল,

"চোৰা, তোমাৰ হৈ কোনেও জামিন হ'বলৈ মান্তি নহ'ব। মোৰ ওচৰত অহাৰ আগতে তুমি আন কাৰোবাৰ ওচৰলৈ গৈছিলানে বাৰু?"

"শপত খাই কৈছোঁ, ক'লৈকো, কালৈকো নাই যোৱা। পোনে পোনেই আপোনাৰ কাষ চাপিছোঁহি।"

তেতিয়া বীৰভদ্ৰই ভাল পাই ক'লে, "চোৰা নেৰায়ণ, সকলোটিয়েই এই কথা জানে যে তুমি আনক সহায় কৰা, কিন্তু তুমি কাৰোপৰা সহায় নোলোৱা। ৰাইজৰ চকুত তুমি হ'লা অসাধাৰণ মানুহ। তথাপি — গাঁৱত ইমান ডা-ডাঙৰীয়া থাকোঁতেওনো তুমি মোৰ ওচৰলৈ কেলেই আহিলা? পোন পহিলতে বাৰু মোৰ কথা তোমাৰ মনত পৰিল কিয়?"

বীৰভদ্ৰই এনেবোৰ কোৱাৰ অলপ কাৰণ নথকা নহয়। যিজন নাৰায়ণে কোনোদিনে কাকো প্ৰশংসা কৰি পোৱা নাই, সেইজন নাৰায়ণে কিয় বীৰভদ্ৰৰ শলাগ ল'লেহি?"

"এই 'কিয়'ৰ উত্তৰ — মই দিম। পিছে—ছোৱালীজনীৰ বিয়া হৈ যোৱাৰ সাতদিনৰ পাছত দিম।" নাৰায়ণে ক'লে।

"হ'ব। তোমাৰ ইচ্ছা মতেই ক'বা। কিন্তু ক'বা যিদিনা—দহো-ৰাইজৰ আগত ক'বা। বুইছা নহয়—?" বীৰভদ্ৰই নাৰায়ণক একপ্ৰকাৰে শপত খুৱাই ল'লে।



বীৰভদ্ৰৰ এই চৰ্তত মান্তি হোৱাৰ লগে লগে বীৰভদ্ৰ চাহুৰ ওচৰলৈ গ'ল আৰু ক'লে, "মই জামিন হিচাপে থাকিলোঁ।"

তাৰ পাছত নাৰায়ণৰ ছোৱালীজনীৰ বিয়া হৈ গ'ল, আৰু বিয়া হৈ যোৱাৰ পাঁচদিনৰ পাছত নাৰায়ণে বীৰভদ্ৰক ক'লেগৈ যে সি চাহুৰ ধাৰখিনি মাৰিলে।

অবাক বীৰভদ্ৰই ক'লে, "ইমান সোনকালে—ধাৰ মাৰিলানো কেনেকৈ?"

এই প্ৰশ্নৰ উত্তৰত নাৰায়ণে ক'লে, "চাওক, মই মোৰ ছোৱালীজনীৰ বিয়া পতাৰ বাবে বেছ নাম-ডাক থকা মানুহ এজনৰ ওচৰত মোহৰ সাঁচিছিলোঁ। কিন্তু তেওঁ মোৰ সেই মোহৰখিনি আৰু তাৰ পাছত তেওঁৰ নামটো সদৰি নকৰিবলৈ হাতযোৰ কৰি মোক অনুৰোধ কৰিলে। তিমানতে ছোৱালীজনীৰ বিয়াৰ দিন-খেণ খাটাং হৈ যোৱাত বাধ্যত পৰি আপোনাৰ কাষ চাপিছিলোঁ।"

"সেই মানুহজননো কোন?" বীৰভদ্ৰই নাৰায়ণক সুধিলে।

"তেওঁৰ নামটো কাকো নকওঁ বুলি মই তেওঁক কথা দিছিলোঁ।"

"ঠিক আছে, বুজিলোঁ, তুমি কথা দিলে কথা ৰাখা। পিছে—মোক যে কথা দিছিলা দহোৱাইজৰ আগত ক'বা বুলি—?" বীৰভদ্ৰই বী-বিয়ালে।

"নিশ্চয় ক'ম।" নাৰায়ণে দহোৱাইজলৈ চাই ক'লে, "শুনক তেন্তে। মই কোনো-দিনে কাৰোপৰা সহায় বিচৰা নাছিলোঁ। তথাপি, এজন নাম-ডাক থকা লোকৰ সন্মান ৰক্ষাৰ্থে ধৰা-ধুৰ কৰিম বুলি ঠিক কৰি—চাহুৰ কাষ চাপিছিলোঁগৈ। চাহুৱে জামিন হিচাপে কেৱল আপোনাকহে মানিব বুলি ক'লে। শুনি—আপুনিও মোক মোহৰ তিনিশ ধাৰলৈ দিব খুজিলে, কিন্তু মইহে নল'লোঁ আপোনাৰপৰা। পাছত আপুনি মোৰ হৈ চাহুৰ ওচৰলৈ গ'ল, জামিন হ'ল। মযো পাঁচ দিনৰ

ভিতৰত চাহুৰ ধাৰ মাৰি কথামতে সাত দিনৰ ভিতৰতে কৃতজ্ঞতা স্বীকাৰ কৰিবলৈ আপোনাৰ ওচৰলৈ আহিলোঁ।"

"কি হে নেৰায়ণ, তুমি দেখোন কেৱল নিজৰ কথাকে ক'লা, মোৰ সম্পৰ্কে একো-এটাও নক'লা দেখোন।" বীৰভদ্ৰই ক'লে।

কেইমুহূৰ্তমান নিমাতে থকাৰ অন্তত নাৰায়ণে ক'লে, "আপোনাৰ সম্পৰ্কে কিনো কওঁ? মই এজন নাম-ডাক থকা লোকৰ সন্মান ৰক্ষাৰ বাবেহে মোহৰ ধাৰলৈ লৈছিলোঁ। আপুনি জামিন থাকিল। জামিনদাৰহঁতে কিন্তু একো হেৰুৱাবলগীয়া নহয়, বৰঞ্চ সুনামহে পায়। মোৰ নিচিনা মানুহ এজনৰ জামিনদাৰ হ'ব পৰাটো সৌভাগ্যৰহে কথা।"

বীৰভদ্ৰই শুকান মাতেৰে ক'লে, "তাৰ মানে—তুমি মোতকৈ বহুত ওপৰৰ মানুহ!"

"চাওক, মই আপোনাৰ দৰে মোৰ সম্পৰ্কে দহো ৰাইজৰ আগত শলাগ ল'বলৈ আপোনাৰ লগত চৰ্ত বন্ধা নাছিলোঁ।" নাৰায়ণে ক'লে।

"অ'—! তুমি এনেকৈ ক'বা বুলি জনাহেঁতেন মই তোমাৰ হৈ জামিন-তামিন নহ'লোহেঁতেন।" বীৰভদ্ৰই খঙতে খৰখৰীয়া মাৰি ক'লে।

"সেই কাৰণেহে—বিয়াখন হৈ যোৱাৰ পাছত ক'ম বুলি কৈছিলোঁ।" এই বুলি কৈয়েই নাৰায়ণ তাৰপৰা গুচি গ'ল।

কোনোবা এজন মানুহে তাৰ আটাই-খিনি মোহৰ আত্মসাৎ কৰা সত্বেও নাৰায়ণে তাৰ নাম প্ৰকাশ নকৰা হ'ল। আনহাতে, কেৱল জামিন হোৱাৰ কাৰণে তাৰ সম্পৰ্কে ৰাইজৰ আগত প্ৰচাৰ কৰিবলৈ চৰ্ত দিয়াত বীৰভদ্ৰই এতিয়া নিজে নিজেই লাজ পোৱা হ'ল।

এই ঘটনাৰ পাছৰপৰা বীৰভদ্ৰই ৰাইজৰ আগত নিজৰ সম্পৰ্কে বৰ কথাৰ ভঁৰালৰ দুৱাৰখন বন্ধ কৰিছিল।



আও-ভাও

দেশৰ নাম চন্দ্ৰপুৰী, ৰজাৰ নাম চন্দ্ৰসেন। চন্দ্ৰপুৰী ৰাজ্যৰ চুবুৰীয়া ৰাজ্যখন হ'ল চক্ৰগিৰি। চক্ৰগিৰি ৰাজ্যৰ ৰজা আছিল চিত্ৰকেতু। দুয়োখন দেশৰ মাজত বহু-কাল জোৰা শত্ৰুতা। এবাৰ আগতীয়াকৈ জাননী নিদিয়াকৈয়েই ৰজা চিত্ৰকেতুৱে চন্দ্ৰপুৰী আক্ৰমণ কৰিলে। উভয়পক্ষৰ মাজত দাৰুণ-নিদাৰুণ যুদ্ধ চলিল। ৰজা চিত্ৰকেতু পৰাজিত হৈ গভীৰ অৰণ্যলৈ পলাই গ'ল। আৰু তাৰ ফলত, চক্ৰগিৰি ৰাজ্যৰ ৰজা হ'লগৈ চিত্ৰসেন।

এই যুদ্ধত চন্দ্ৰপুৰীৰ বহুতো সৈন্য নিহত হৈছিল। আনকি সেনাপতিও নিহত হৈছিল। সহ-সেনাপতি শক্তিবৰ্মা অতি সাংঘাতিকভাৱে আহত হৈছিল। আৰু সেই কাৰণে তেওঁৰ ভৰি এখন কাটি পেলাবলগীয়া হৈছিল।

তেতিয়া—নতুন সেনাপতি নিযুক্ত কৰাৰ দিহা কৰা হ'ল। ৰজা চন্দ্ৰসেনে এই নিযুক্তিৰ বিষয়ে সহ-সেনাপতি শক্তিবৰ্মাৰপৰা পৰামৰ্শ খুজিলে।

ৰজাৰ প্ৰশ্নৰ উত্তৰত শক্তিবৰ্মাই ক'লে, "মহাৰাজ, আমাৰ সৈন্যবাহিনীত যথেষ্ট সংখ্যক সাহসী তথা যুদ্ধৰ বিষয়ে অভিজ্ঞ আৰু কৌশলী যুৱক আছে। আপুনি এওঁলোকৰ মাজত বুদ্ধিৰ পৰীক্ষাৰ প্ৰতিযোগিতা পাতক; এই প্ৰতিযোগিতাৰ যোগে এওঁলোকৰ মাজৰেপৰাই এজনক যোগ্য সেনাপতিৰ পদত আপুনি নিযুক্ত কৰিব পাৰিব।"

ৰজাই এই প্ৰতিযোগিতাৰ দায়িত্ব শক্তিবৰ্মা আৰু মহামন্ত্ৰীৰ ওপৰত দিলে।

সুমিতা দেৱী

নিৰ্দিষ্ট দিনত প্ৰতিযোগিতা আৰম্ভ হ'ল। বহু সংখ্যক যুৱা সৈনিক বিভিন্ন প্ৰশ্নেৰে পৰীক্ষা কৰাৰ অন্তত দুজনক বাছি উলিউৱা হ'ল। এই দুজনৰ মাজত এজনৰ নাম জয়, আনজনৰ নাম বিজয়।

এই দুজনৰ মাজত যে কাক সেনাপতিৰ পদত নিযুক্ত কৰা হ'ব, মহামন্ত্ৰী আৰু শক্তিবৰ্মায়ো সিদ্ধান্ত কৰিব নোৱাৰিলে। অৱশেষত মহামন্ত্ৰীয়ে শক্তিবৰ্মাক এটা পদ্ধতিৰ কথা কৈ তাৰপৰা গুচি গ'ল।

পাছদিনা জয় মহামন্ত্ৰীৰ ওচৰলৈ গ'ল। মহামন্ত্ৰীয়ে জয়ৰ পিনে তীক্ষ্ণ দৃষ্টিৰে চাই ক'লে, "বিজয়, শুভ সংবাদ, মহাৰাজে তোমাকেই সেনাপতিৰ পদত নিযুক্ত কৰিবলৈ আদেশ দিছে।"

জয়ে হতভম্ভ হৈ ক'লে, "মহামন্ত্ৰী, মই বিজয় নহওঁ, মই জয়।"

"আঁ! কি ক'লা? বৰ অদ্ভুত কাণ্ড! বিজয়ক নিযুক্ত কৰিবলৈহে শক্তিবৰ্মাই মহাৰাজলৈ বাতৰি পঠালে দেখোন!" মহামন্ত্ৰীয়ে ক'লে।

অলপ পাছত বিজয় মহামন্ত্ৰীৰ কাষ চাপিল। মহামন্ত্ৰীয়ে বিজয়ক ক'লে, "জয়, মহাৰাজে তোমাক সেনাপতিৰ পদত নিযুক্ত কৰিবলৈ আদেশ দিছে।"

বিজয়ে ক'লে, "মহামন্ত্ৰী, নিশ্চয় ক'ৰবাত কিবা ভুল হৈছে। ঠিক আছে, মই এতিয়াই এই ভুলৰ শুধৰণ কৰিম।" এই বুলি কৈয়েই অলপ আঁতৰত থকা ৰাজপ্ৰহৰীক বিজয়ে নিৰ্দেশ দিলে, "শুনা, তুমি এতিয়াই শক্তিবৰ্মাদেৱৰ ওচৰলৈ যোৱা আৰু নতুন সেনাপতি বিজয়ে তেওঁক এতিয়াই মাতিছে বুলি কোৱাগৈ।"

বিজয়ৰ নিৰ্দেশ প্ৰদানৰ ভাৱ-ভংগীলৈ লক্ষ্য কৰি মহামন্ত্ৰীয়ে হাঁহি হাঁহি বিজয়ক ক'লে, "বিজয়, ক'তো কোনো ভুল হোৱা নাই। আজিৰপৰা তুমিয়েই হ'বা আমাৰ চন্দ্ৰপুৰী দেশৰ সেনাপতি।"



অসম্ভৱ সম্ভৱ

ৰজা ওলাল চিকাৰলৈ। লগত লৈ গ'ল কেইজনমান প্ৰহৰী আৰু কেইজনমান চিকাৰীক! আৰু—বিদূষক, অৰ্থাৎ বহুৰালি কৰা বহুৰা তো আছিলেই লগত।

পুৱাৰপৰা দুপৰীয়ালৈকে বিত বিতকৈ বিচাৰিও জন্তু-জানোৱাৰৰ ছাঁ এটাও চকুত নপৰিল ৰজাৰ। বহু সময়ৰ অন্তত এটা হৰিণা পোৱালিক গছৰ পাত খাই থকা দেখা পালে তেওঁ।

আৰু ৰজাই লগে লগে এৰিলে কাঁড় হৰিণা-পোৱালিটোলৈ। কিন্তু কাঁড়ডাল হৰিণ-পোৱালিটোৰ কাষেদি গুচি গ'ল।

লগে লগে বহুৰাই কৈ উঠিল, "বঢ়িয়া! চা—ব্বাইচ! চমৎকাৰ!"

বিৰক্ত ৰজাই আৰক্ত মুখেৰে বহুৰাটোক ক'লে. "এই কথাত চমৎকাৰৰ কি হ'ল? কাঁড়ডাল দেখোন হৰিণা-পোৱালিটোৰ গাত লগাই নাই!"

বহুৰাই টপৰাই কৈ উঠিল. "মহাৰাজ, মই এই কাৰণে আপোনাক চাব্বাইচ দিছোঁ, চমৎকাৰ বুলি কৈছোঁ যে—হৰিণা-পোৱালিটোক হাতৰ মুঠাত পায়ো আপুনি পুতৌ কৰি তাক নামাৰিলে। এয়া কোনোবা সাধাৰণ চিকাৰীৰ পক্ষে সম্ভৱ নহয়। আনৰ পক্ষে অসম্ভৱক আপুনি কৰিলে, মহাৰাজ!"

ৰজাই নিজৰ ডিঙিৰ মহামূল্য হীৰাৰ মালাধাৰ বহুৰাৰ ডিঙিত পিন্ধাই দিলে। বহুৰাই তাৰ বহুৰা-বুদ্ধি তথা উপস্থিত বুদ্ধিৰ যহতেহে ৰজাৰপৰা তিৰস্কাৰৰ সলনি পুৰস্কাৰ পালে।

স্বৰ্ণ-উপত্যকা

৭

সাধু আৰু বিনন্দ
পুনৰ নগৰলৈ বুলি গৈ থাকিল।
অন্যান্যক প্ৰহৰীইতে নগৰৰ দুৱাৰমুখত বাধা
দিলে ; কিন্তু সাধু আৰু বিনন্দ অদৃশ্যভাৱে নগৰৰ ভিতৰলৈ
সোমালগৈ। তাৰ পাছত সাধু আৰু বিনন্দ এটা ঘৰৰ ভিতৰলৈ সোমাই
গ'ল। তাত তেতিয়া এখন সভা পতা হৈছিল আৰু এজন যুৱকে সভাত কিবাকিবি
কৈ আছিল। সাধু আৰু বিনন্দ সোমোৱাৰ লাগে লগে সেই ঘৰটোৰ তথা প্ৰকাণ্ড মন্দিৰটোৰ
ঘাই দুৱাৰখন বন্ধ হৈ গ'ল। আৰু তাৰ পাছত······

ওখ-পাখ সেই যুৱকে কৈ আছিল, "আমি এই বছৰতো পাপবিলাকক যে বন্দী কৰি ৰাখিব পাৰিছোঁ, সেয়া আমাৰ সৌভাগ্য। এইদৰে আমাৰপৰা পাদ্য-অৰ্ঘ্য পাই আমাৰ দেৱতাই নিশ্চয় আমাৰ প্ৰতি অত্যন্ত প্ৰসন্ন হৈছে।"

এখন্তেক ৰৈ, যুৱকে তিনিজন মানুহলৈ আঙুলিয়াই পুনৰ কৈ থাকিল, "ই হ'ল দুৰাশাৰ প্ৰতীক, আৰু সৌ সিটো হ'ল ক্ৰোধৰ প্ৰতিমূৰ্তি ; আৰু সেই যে দৰ্‌ীয়া,

মনোজ দাস



কথা শুনি বিনন্দ বিমূঢ়, বিস্মিত।

"মই মানুহৰ মাজত থকা দুৰাশা, ক্ৰোধ আৰু লোভ ইত্যাদি বেয়া ৰিপুসমূহক দেৱতালৈ সমৰ্পণ কৰিবলৈ কৈছোঁ। কিন্তু এই দুৰাত্মাই বিদেশী পৰ্য্যটকসকলক ধৰি আনি দুৰাশা, ক্ৰোধ আৰু লোভৰ প্ৰতীকৰ নামত হত্যা কৰিবলৈ ওলাইছে! এয়া অসহ্য, একেবাৰে অসহ্য এইবোৰৰ প্ৰতিকাৰ লাগে।" এই বুলি কৈ, সাধু দ্ৰুত গতিৰে মন্দিৰৰপৰা ওলাই গ'ল।

সাধু আৰু বিনন্দই একেলগে নগৰৰ অ'ত ত'ত পৰিভ্ৰমণ কৰি কৰি বহু বিধৰ অভিজ্ঞতা অৰ্জন কৰিলে।

প্ৰতিদিন গধূলিৰ আগে আগে এই যুৱনেতাই পাহাৰৰ চূড়াত উঠি আন আন দেশৰপৰা অহা পৰ্য্যটকসকলৰ ওচৰত এটা ফল বিক্ৰি কৰিবলৈ চেষ্টা কৰিবলৈ চেষ্টা কৰিছিল। এই ফলটি আছিল ছিঁৰালজাতীয় ফল, দেখাত ঘূৰণীয়া বিধৰ ৰঙালাওৰ সদৃশ ফল, নাম 'তৰমুজ'। এই ফল, অৰ্থাৎ তৰমুজ বেচিবৰ মনেৰে যুৱকে আগন্তুক পৰ্য্যটকসকলক কথাৰে উৰুৱাই নিব খুজিছিল। তৰমুজ ফল-বোৰ খোৱাত মিঠা আৰু সোৱাদ হোৱা হেতুকে পৰ্য্যটকসকলৰ মাজত প্ৰায়-বিলাকেই এই ফল কিনি খাইছিল।

পুলুং-পালাংকৈ চাৰিওফালে চাই আছে যে—সি দঢ়ীয়া হ'ল লোভৰ প্ৰতীক।"

আৰু তাৰ পাছত, এই তিনিওকো বলি দিবলৈ যো-জা চলি থাকিল। বিৰাট খড়্গ এখন তাত ওলমি আছিল। এইখন খড়্গেৰে যে এই তিনিওকো বলি দিয়া হ'ব সেই কথাত সাধু আৰু বিনন্দ নিঃসন্দেহ হ'ল।

"এই সমগ্ৰ নগৰখনকে ধ্বংস কৰিব লাগিব!" ক্ৰুদ্ধ-ক্ষুব্ধ সাধুৱে সৰোষে গৰ্জি উঠি ক'লে।

অদৃশ্য সাধু গৰ্জি উঠা কথাখিনি বিনন্দৰ বাহিৰে আন কোনেও শুনা হ'ল। সাধুৰ

যি দেশত যিবোৰ বস্তু পোৱা নাযায়, বিদেশৰপৰা আমদানী কৰি হ'লেও খায়। চুবুৰীয়া দেশত তৰমুজৰ খেতি নথকা হেতুকে তৰমুজ কিনি খাবলৈ এই দেশলৈ আহিছিল। কিছুমানে পেট ভৰাই তৰমুজ খাই টোপনিত লাল-কাল দিছিল। টোপনি যোৱাহঁতক ধৰি ধৰি মন্দিৰলৈ লৈ যোৱাৰ পাছত ক্ৰোধী, লোভী ইত্যাদি হিচাপে চিহ্নিত কৰি দেৱতাৰ আগত বলি দিয়া হৈছিল আৰু এই বলিপ্ৰদান যে ন্যায়সংগত কাম, সেই কথাটো বুজাবলৈ উৎসৱ পতা হৈছিল।

বেলি লহিউৱাৰ লগে লগে সাধু আৰু বিনন্দ পাহাৰৰ ওপৰলৈ উঠিলগৈ। এই পাহাৰত তৰমুজৰ খেতি আছিল। বিনন্দ আৰু সাধুৱে সেই যুৱকক সেই ঠাইলৈ তীব্ৰ গতিৰে আগুৱাই আহি থকা দেখা পালে।

এই যুৱকে বিৰাট এচটা শিলৰ ওপৰত সাধুক আৰু সাধুৰ কাষত বিনন্দক দেখা পাই আচৰিত হৈ বিৰক্তিৰে ভুৰু কোঁচাই চকু ঘোপা কৰি সুধিলে, "তোমালোক কোন? ইয়ালৈ কি উদ্দেশ্যেৰে আহিছা?"

এই প্ৰশ্নৰ উত্তৰত সাধুৱে ক'লে, "এই গুহাৰ ভিতৰত এগৰাকী সাধু আছিল যে—তুমি, বা তোমালোকে জানানে? তোমালোকে জানানে যে— সেই সাধুৰ বৰ অনুযায়ী তোমালোকে

"এই সুস্বাদু ফল পাইছা, আৰু এই ফলৰ যহতে এই দেশৰ সা-সম্পদ বৃদ্ধি হৈছে ?" এইবো কথা তুমি জানানে নাজানা ?

"কথাটো নাজানিছিলোঁ, শুনিছিলোঁহে। পিছে—এই কথাৰ যে জনশ্ৰুতিৰ বাহিৰে কোনো বিশেষ গুৰুত্ব আছে, সেই কথা কদাপি ভবা নাছিলোঁ। আৰু—কোনোবা সাধুৰ বৰেৰে যে ইমান তৰমুজ ওপজে, তাকো ভবা নাছিলোঁ।" যুৱকে ক'লে।

"প্ৰতিদিন যে তৰমুজ ওপজে, সেই কথা সঁচা নহয় জানো ? এই ঘটনা যদি সত্য, সাধুৰ বৰৰ কথা সত্য নহ'ব কিয় ?" সাধুৱে এই যুৱকক ক'লে।

এই প্ৰশ্নৰ উত্তৰত যুৱনেতাই একো ক'ব নোৱৰা হ'ল।

সাধুৱে বিনন্দক ক'লে, "এয়া হ'ল আজিৰ দিনৰ বৈচিত্ৰ্য। এটা ফুলৰ গোন্ধেৰে মানুহে আনন্দ লভে, ফল খাই মুগ্ধ হয়; কিন্তু ফুলটো যে কেতিয়া ফুলিল, সেই কথালৈ মন-কাণেই নকৰা হয়।" সাধুৱে দুখ মনেৰে কথাখিনি ক'লে।

তেতিয়া যুৱকে সাধুক ক'লে, "হে মহাত্মা ! আপুনি যে গুহা এৰি ওলাইছে, সেয়া বৰ আনন্দৰ কথা। আপুনি বহু কাল ধৰি গুহাৰ ভিতৰত বিচিত্ৰ জীৱন-যাপন কৰিছিল। এতিয়াৰপৰা, আমি আপোনাক সুৰম্য অট্টালিকাত আদৰেৰে সৈতে ৰাখিম, ভাল ভাল সুখাদ্য খুৱাম, আৰু আপোনাৰ যাৱতীয় আৰাম-বিৰামৰ বন্দৱস্ত কৰিম ! পিছে—সপ্তহতে আমাক বিছ হাজাৰ তৰমুজ লাগে।"

"বিছ হাজাৰ তৰমুজ !" বিস্মিত সাধুৱে ক'লে, "তোমালোকৰ নগৰখনত বিছ হাজাৰ মানুহ আছেনে ? ইমানবোৰ তৰমুজেৰে কি কৰিবা ?"

সাধুৰ প্ৰশ্নৰ উত্তৰ যুৱনেতাই উৎসাহেৰে ক'লে, "নগৰত আমি পোন্ধৰহেজাৰ মানুহ-মুনিহ আছোঁ, বিভিন্ন দেশৰপৰা পাঁচ-হেজাৰ মানুহ আহিল, তেওঁলোকৰ বাবেও

তৰমুজ ফলৰ আৱশ্যক আছে। তেওঁলোকৰ ওচৰত তৰমুজ বেচি আমি ভাল লাভ কৰিব পাৰিম। এই লাভৰ এভাগ আমি আপোনাকো দিব পাৰোঁ। আন এটা কথা। আপুনি যদি এই টিলাৰ টিঙত বহি বিভিন্ন দেশৰপৰা অহা মানুহবিলাকক দৰ্শন দিয়ে, তাৰেও ভাল আয়-উপাৰ্জন হ'ব। কিয়নো, তেওঁলোকে দৰ্শনৰ বাবে নিশ্চয় দক্ষিণা দিব। এই বিষয়ত আপোনাৰ মতামত কি ক'বনে?

"মনে মনে থাকাঁ।" সাধুৱে গৰ্জি উঠি ক'লে, "তোমাৰপৰা আন এটা কথাও শুনিবলৈ নিবিচাৰোঁ।"

এই বুলি কোৱাৰ অন্তত অলপ পৰলৈ সাধু নিশ্চুপ হৈ থাকিল, কোনেও একো মাত-বোল নকৰা হ'ল। তাৰ পাছত সাধুৱে দুখ মনেৰে নিজক নিজে কোৱাদি কৈ থাকিল : ভাবিছিলোঁ—পাহাৰৰ ওপৰত অসংখ্য তৰমুজ উপজিলে দেশবাসীয়ে সহজ উপায়ে খাদ্য পাব, আৰু দেশবাসীয়ে অফুৰন্ত সময় লাভ কৰি ধৰ্ম চৰ্চাত মগ্ন হ'ব। কিন্তু ধৰ্মচৰ্চাৰ কথা বাদেই, দেশবাসী আনকি চন্দ্ৰ-সূৰ্য্য গ্ৰহ-তৰালৈকো ঘূৰি চোৱাৰ প্ৰয়োজন বোধ নকৰা হ'ল! স্থূল আহাৰ, অৰ্থ, সা-সম্পদৰ চিন্তাৰ বিনে ইহঁতৰ মনত আন চিন্তা আছে বুলি ভবা টান। আচলতে মইহে ভুল কৰিলোঁ। —এইবোৰ কথা সাধুৱে আন কোনেও নুশুনাকৈ ক'লে।

তাৰ পাছত, চকুযুৰি মুদি, আদেশৰ সুৰত, সাধুৱে যুৱনেতাক ক'লে, "মই—মই কালিলৈ তোমাৰ কাৰণে এটা বিৰাট তৰমুজ স্ৰজিম। ইমান বৃহৎ আকাৰৰ তৰমুজ জগতত কোনেও দেখা নাই। সেই তৰমুজটো ফাটি যাব, আৰু তাৰ ফলত এই নগৰ ধ্বংস হ'ব। তুমি এতিয়া এই ঠাই এৰি তুৰন্তে গুচি যোৱা। যোৱা!"

ক্ৰুদ্ধ সাধুৰ কথা শুনামাত্ৰেই যুৱনেতাই দ্ৰুতগতিৰে পাহাৰৰপৰা নামি তীব্ৰ গতিৰে



সেইসুপ্ৰাচীন নগৰখনলৈ গৈ থাকিল।"

তেতিয়া নগৰখন জোনৰ পোহৰেৰে প্লাৱিত। নগৰখনৰ সোঁমাজত আছিল বিৰাট এখন পথাৰ। তাত তেতিয়া অসংখ্য মানুহ গোট খাইছিল। এডোখৰ ওখ ঠাইত থিয় হৈ, সেই যুৱনেতাই কৈ আছিল ঃ

"বন্ধুসকল!

সাধুৱে যি কাম কৰিব খুজিছে, সেই কাম আমি সাধুক কৰিবলৈ দিব নোৱাৰোঁ। সাধুৰ এনে অপকৰ্মত বাধা দিবই লাগিব। সাধুৰ ষড়যন্ত্ৰক ব্যৰ্থ কৰিবলৈ হ'লে — মাত্ৰ এটাহে উপায় আছেঃ কালিলৈ উপজিপুৱাতে আমি সেই পাহাৰ পাবগৈ লাগিব। কেৱল আমিয়েই নহয়, আমাৰ নগৰলৈ অহা বিদেশীসকলো যাব লাগিব আমাৰ লগে লগে। সাধুৱে পাহাৰৰপৰা সেই তৰমুজটো দলিয়াই দিলে তৰমুজটো নিশ্চয় টুকুৰা-টুকুৰ হ'ব। আমি সেই তৰমুজৰ টুকুৰাবোৰ বুটলি ল'ম। তেতিয়া দেখা যাব— আমাৰ নগৰখন কেনেকৈ ধ্বংস হয়। কোনে ধ্বংস কৰে!"

যুৱনেতাৰ কথালৈ প্ৰত্যেকেই উৎসাহেৰে সমৰ্থন জ্ঞাপন কৰিলে।

তাৰ পাছত নগৰৰ অধিবাসীহঁত ৰাতি পুৱাবলৈ ৰৈ থাকিল। কোনো নগৰৰ অভিমুখে লৰক্ষি গৈ থাকিল।

যুৱনেতা গুচি যোৱাৰ অন্তত বিনন্দই সাধুক ক'লে, "হে মহাত্মা! আপোনাৰ কথাত সিহঁতৰ মনত পৰিৱৰ্তনৰো সৃষ্টি হ'ব পাৰে। সিহঁতে নিজৰ ভুল চাগৈ বুজিব। ইমান দিন ধৰি সিহঁতে আপোনাৰ প্ৰতি সিহঁতৰ কৰ্তব্য পালন কৰা নাছিল। সিহঁত এতিয়া নিশ্চয় অনুতপ্ত হ'ব।"

"মই তেনেকৈ নাভাবোঁ। অৱশ্যে— তুমি ইচ্ছা হ'লে তালৈ গৈ সকলো কথা-কাণ্ড নিজ চকুৰে চাই আহিব পাৰা।" সাধুৱে বিনন্দক ক'লে।

সাধুৰ কথা অনুসাৰে বিনন্দ তেতিয়াই

কোনোবাই পেট পূৰাই তৰমুজ খোৰাৰ আশাৰে ৰাতি একো নোখোৱা হ'ল।

বিনন্দই এইবোৰ কথা-কাণ্ড দেখি-শুনি অবাক হ'ল। নগৰবাসীয়ে যে ভুল বাট লৈছে, সেই কথা ভাবি সি অত্যন্ত দুঃখিত হ'ল। তাৰ পাছত, মাজনিশা বিনন্দ পুনৰ সেই পাহাৰত সাধুৰ ওচৰলৈ উভতি গ'ল।

বেলি ওলোৱাৰ আগতেই পাহাৰৰ নামনিলৈ দলে দলে মানুহ-দুনিহ ঢপলিয়াই আহিল। আৰু বেলি ওলোৱাৰ লগে লগে নগৰৰ অধিবাসীহঁতে দেখা পালে পাহাৰতকৈয়ো ডাঙৰ আকাৰৰ এটা তৰমুজ! ইমান ডাঙৰ তৰমুজ দেখি ভয়, আতংক ইত্যাদিৰ লগতে সিহঁতৰ মনত তৰমুজটো খোৱাৰ লোভো জাগিল। কিন্তু হঠাৎ সেই বিৰাট তৰমুজটো ফাটি খণ্ড-বিখণ্ড হৈ সিহঁতৰ মূৰৰ ওপৰত পৰিল। তেতিয়া সিহঁতে তৰমুজৰ টুকুৰাবোৰ বুটলি থাকিল। আৰু যেতিয়া তৰমুজৰ এটা টুকুৰাও আৰু পৰি নাথাকিল, তেতিয়া সিহঁত পুনৰ ঘৰমুৱা হ'ল।

সিহঁতে পেট পূৰাই তৰমুজ খাইছিল ঠিকেই; কিন্তু এটা কথা ভাবি সিহঁতৰ বেজাৰ লাগিল। সিহঁতে ভাবিলে: কালিলৈ কি খাম? কালিলৈৰপৰা হেনো আৰু তৰমুজ নোপজে! তেতিয়া কি হ'ব?

আৰু এতিয়াহে সাধুৰ কথাৰ মৰ্মাৰ্থ ঠাৱৰ কৰিব পৰা হ'ল। সাধুৱে কৈছিল যে তৰমুজেৰে নগৰ ধ্বংস কৰিব। আচলতে—তৰমুজৰ ওপজ বন্ধ কৰিহে নগৰবাসীক ধ্বংস কৰিব! এতিয়াহে বুজা গ'ল সাধুৰ কথাৰ সাৰ কথা।

সাধুৱে বিনন্দক লগত লৈ, অদৃশ্যভাৱে, নগৰৰ বাটে বাটে ঘূৰি ঘূৰি নগৰৰ অৱস্থা চাই আছিল। তাৰ পাছত বিনন্দ আৰু সাধুৱে কোনেও ক'ব নোৱৰাকৈ এক অজান ঠাইলৈ যাত্ৰা কৰিলে। [অহা সংখ্যাত]

‘বেতাল-কথা’

ৰজাৰ লগত হাল-লগ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ’ল আৰু গছৰ ডালত ওলমি থকা শ’টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ’ৰ মাজত থকা বেতালে কৈ উঠিল, “হে ৰজা, তুমি যুগ যুগ ধৰি কাৰ সুখৰ কাৰণে এনে অমানুষিক শ্ৰম কৰিছা ? এই অপৰিসীম শ্ৰমৰ ফলত তোমাৰ গৌৰৱ বৃদ্ধি হ’ব বুলি ভাবানে ? কথাটো এটিবাৰ ভাবি চোৱা আৰু এই বিষয়ে বিশিষ্ট এগৰাকী ৰজা আৰু তেওঁৰ পুত্ৰৰ কাহিনী শুনা। এই কাহিনী শুনিলে তোমাৰ অন্য লাভ একো নহ’লেও পথশ্ৰম নিশ্চয় কথঞ্চিত লাঘৱ হ’ব।” এই বুলি কৈ, বেতালে সেই কাহিনী ক’বলৈ ধৰিলেঃ

মহেন্দ্ৰগিৰিৰ ৰজাৰ নাম পদ্মপাদ।



পদ্মপাদ মহাৰাজৰ কোনো সতি-সন্ততি নাছিল। কিন্তু বহু কালৰ অন্তত এদিন তেওঁ পুত্ৰৰ পিতৃ হ'ল।

পদ্মপাদৰ পুত্ৰৰ নাম প্ৰবীণ। প্ৰবীণক তাৰ পাঁচ বছৰ বয়সত অধ্যয়নৰ বাবে সিদ্ধমুনিৰ আশ্ৰমলৈ পঠোৱা হ'ল। সিদ্ধমুনিয়ে ৰাজকোঁৱৰ প্ৰবীণক যথাযোগ্য মৰ্য্যাদাৰে সৈতে আহাৰ-নিদ্ৰাৰ ব্যৱস্থা কৰিলে, কিয়নো প্ৰবীণ ৰাজপুত্ৰ। অন্যান্য ছাত্ৰইতৰ কাৰণে সাধাৰণ চাউলৰ ভাত আৰু এখন আণ্ঠাৰ বন্দৰস্ত ; কিন্তু প্ৰবীণৰ কাৰণে জোহা চাউল আৰু পঞ্চ ব্যঞ্জন।

যিজন ছাত্ৰে সঠিককৈ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিছিল, সিদ্ধমুনিয়ে সেই ছাত্ৰক কঠোৰ শাস্তি দিছিল ; কিন্তু ৰাজকোঁৱৰ প্ৰবীণৰ বেলিকা কথা আন। প্ৰবীণে উত্তৰ দিব নোৱাৰিলে সিদ্ধমুনিয়ে কৈছিল, "যুৱৰাজ, তুমিয়েই এই দেশৰ ভৱিষ্যতৰ ৰজা। এতেকে আৰু ভালকৈ পঢ়া-লিখা শিকিবলৈ মন-কাণ দিয়া।"

প্ৰবীণ যেতিয়া বাৰ বছৰীয়াটো হ'ল, তেতিয়া বুজি পালে যে—অন্যান্য ছাত্ৰৰ তুলনাত সি ঢেৰ পিছপৰা। সেয়েহে, এদিন সি সিদ্ধমুনিক ক'লে, "আপুনি অন্যান্য ছাত্ৰৰ ক্ষেত্ৰত যেনেকুৱা আচৰণ কৰে, মোৰ ক্ষেত্ৰত কিন্তু নকৰে। মোৰ বেলিকা এই প্ৰভেদ কিয় ?"

সিদ্ধমুনিয়ে ক'লে, "বোপা, অন্য ছাত্ৰৰ ক্ষেত্ৰত কৰা আচাৰ-আচৰণ তোমাৰ ক্ষেত্ৰত কৰিব নোৱাৰি, কিয়নো—তুমি হ'লা ৰজাৰ কোঁৱৰ। কেৱল মোৰ টোলতে নহয়, য'লৈকে নোযোৱা, এনে পাৰ্থক্যমূলক আচৰণ পাই থাকিব।"

পাছদিনা, কাকো একো নোকোৱাকৈ, ৰাজকোঁৱৰ প্ৰবীণ সিদ্ধমুনিৰ টোল তথা আশ্ৰম এৰি গুচি গ'ল। প্ৰবীণে গৈ গৈ জ্ঞানমুনিৰ আশ্ৰম পালেগৈ। জ্ঞান-মুনিৰ আশ্ৰমত প্ৰবীণে অন্যান্য ছাত্ৰৰ দৰে একেই ব্যৱহাৰ পোৱা হ'ল, আৰু

সিও অন্যান্য ছাত্ৰে গুৰুক সেৱা-যত্ন কৰাৰ দৰে সেৱা-যত্ন কৰা হ'ল, অন্যান্য ছাত্ৰই খোৱা খাদ্য খোৱা হ'ল। ইয়াত পল্লৱ নামৰ এজন ছাত্ৰৰ সৈতে তাৰ প্ৰগাঢ় বন্ধুত্ব হ'ল।

ইপিনে, সেই সিদ্ধমুনিৰ আশ্ৰমৰপৰা প্ৰবীণ নোহোৱা হোৱাত ৰজাৰ অনুচৰসকলে প্ৰবীণক চাৰিওফালে বিচাৰি থাকিল। আৰু অৱশেষত জ্ঞানমুনিৰ আশ্ৰমত বিচাৰি পাই প্ৰবীণক আৰু লগতে জ্ঞানমুনিকো ধৰি লৈ গ'ল।

ঘটনাৰ কথা শুনি, ক্ৰুদ্ধ ৰজা পদ্মপাদই জ্ঞানমুনিক ক'লে, "দেশৰ ৰাজকোঁৱৰক আহু চাউলৰ ভাত আৰু ৰঙালাউৰ আঞ্জা খুৱাই তুমি কেৱল দেশৰ ৰজাকেই নহয়, দেশবাসীকো অপমান কৰিছা। তোমাক মই কাৰাদণ্ডেৰে দণ্ডিত কৰিম।"

জ্ঞানমুনিয়ে ৰজাক এই কথা বুজাবলৈ চেষ্টা কৰিলে যে প্ৰবীণ যে ৰাজকোঁৱৰ সেই কথা তেওঁ সমূলি নাজানিছিল। কিন্তু তথাপি ৰজাই জ্ঞানমুনিক কাৰাগাৰত ভৰাই থ'লে।

এইদৰে বাৰ বছৰ পাৰ হ'ল। এদিন প্ৰবীণে ভাবিলে: দেউতাৰ শাসন সম্পৰ্কে প্ৰজাবৰ্গৰ মনোভাৱ জানিব লাগিব।

ৰাজকোঁৱৰ প্ৰবীণে সিহঁতৰ ৰথৰ চালকহঁতৰ মাজত এজনক ক'লে, "তুমি মোৰ এই সাজ-পাৰ পিন্ধি ৰথত বহি থাকিবা, আৰু মই তোমাৰ পোছাক-পাতি পিন্ধি লৈ এই ৰথ চলাম। মই আমাৰ দেশৰ প্ৰজাবৰ্গৰ কথা নিজ কাণেৰে শুনিবলৈ বিচাৰোঁ।"

কিন্তু প্ৰবীণৰ এই প্ৰস্তাৱত ৰথৰ চালক ৰাজী নহ'ল।

তেতিয়া প্ৰবীণে চালকক চকু পকাই ক'লে, "এয়া মোৰ আদেশ বুলি গণ্য কৰিবা। মোৰ আদেশ আখৰে আখৰে পালন কৰিব লাগিব।"

নিৰুপায়ত পৰি ৰথৰ চালকে ৰাজ-

কোঁৱৰৰ সাজ-পাৰ পিন্ধিলে আৰু চালকৰ পোছাক পিন্ধি, ৰথ চলাই, ৰাজকোঁৱৰ প্ৰবীণ ৰাজধানীৰ শেষ সীমাৰলৈ গৈ এজোপা গছৰ তলত ৰ'লগৈ।

অনতিদূৰতে প্ৰবীণে এটা কুটীৰ দেখা পালে। এই কুটীৰত আছিল এজনী দুখীয়া তিৰোতা। প্ৰবীণ তৃষ্ণাৰ্ত হৈ উঠিছিল। পানী খাবলৈ সি কুটীৰটোৰ পিনে আগুৰাই গৈ থাকিল।

প্ৰবীণে কুটীৰৰ আগত থিয় হৈ ক'লে, "মা, সৌ ৰথখনত এই দেশৰ ৰাজকোঁৱৰ বহি আছে। আপুনি ৰাজকোঁৱৰক অলপ খোৱাপানী দিবনে ?"

তিৰোতাগৰাকীৰ ল'ৰাটোৱে এই কথা শুনি, ভয় খোৱা যেন হৈ তাৰ মাকক ক'লে, "মা, তুৰন্তে পানী দিয়া, একদম পলম নকৰিবা। ৰাজকোঁৱৰৰ যদি কিবা হৈ যায়, তোমাৰ অৱস্থাও কিন্তু জ্ঞানমুনিৰ দৰে হ'ব।"

চালকৰ ভেশত থকা ৰাজকোঁৱৰে এই কথা শুনি দুখ পালে।

তাৰ পাছত ৰাজকোঁৱৰ পুনৰ ৰথ চলাই গৈ থাকিল। হঠাৎ ৰথৰ দুটা চকা ভাগিল আৰু প্ৰবীণ আৰু ৰথৰ আচল চালকো আহত হ'ল।

এই ঘটনাৰ বাতৰি অনতিপলমে ৰজাৰ কাণত পৰিল। শুনি, অগ্নিশৰ্মা হৈ, ৰজাই ৰথৰ চালকক ক'লে, "তুমি

ৰাজকোঁৱৰৰ পোছাক পিন্ধি, আৰু প্ৰকৃত ৰাজকোঁৱৰক তোমাৰ পোছাক পিন্ধাই কেৱল ৰাজকোঁৱাৰ আৰু দেশৰ ৰজাকেই অপমান কৰা নাই, সমগ্ৰ দেশবাসীকো অপমান কৰিছা। এই অপৰাধৰ বাবে তোমাক দহবছৰৰ কাৰাদণ্ড দিয়া হ'ব।"

পাছত, প্ৰবীণে তাৰ দেউতাকক ক'লে, "দেউতা, ৰথৰ চালক নিৰ্দোষী। সি মোৰ ইচ্ছা তথা আদেশ মতে কাম কৰিছিল মাথোন। তাক দণ্ড নিদিবা।"

ৰজা পদ্মপাদে ক'লে, "চোৱা, ভৱিষ্যৎ নাভাবি যিজনে কাম কৰে, সেইজনে দণ্ড ল'বই লাগিব। তোমাৰ—অৰ্থাৎ ৰাজকোঁৱৰৰ ৰূপ ধাৰণ কৰাটো যে কিমান অন্যায়, তুমি বুজিবা। আৰু তাতোকৈ অন্যায় হ'ল তোমাক ৰথ চালনাৰ দায়িত্ব দিয়াটো। এই দুৰ্ঘটনা বৰ ডাঙৰ হোৱাটোও অসম্ভৱ নাছিল, তোমাৰ মৃত্যুও অসম্ভৱ নাছিল। তেতিয়া মোৰ কি অৱস্থা হ'লহেঁতেন ভাবি চোৱা।"

এই ঘটনাৰ কিছুদিনৰ অন্তত ৰাজকোঁৱৰ প্ৰবীণৰ শয়নকক্ষত সোমাই এটা মানুহে প্ৰবীণক ডেগাৰেৰে হত্যা কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু প্ৰবীণ সাৰে থকাত সেই ষড়যন্ত্ৰ ব্যৰ্থ হ'ল। প্ৰবীণে ডেগাৰখন থাপ মাৰি কাঢ়ি লৈ হত্যাকাৰীলৈ চাই কৈ উঠিল, "আঁ! পল্লৱ! তুমি!"

প্ৰবীণৰ বিস্মিত প্ৰশ্নৰ উত্তৰত পল্লৱে



কিন্তু সেই ৰাতিটোতে প্ৰবীণে এক অদ্ভুত-আচৰিত সিদ্ধান্ত ল'লে। প্ৰবীণে কিছুমান সৈন্যৰ সহায়ত তাৰ দেউতাকক গৃহবন্দী কৰিলে, আৰু সিংহাসন অধিকাৰ কৰি নিজক মহেন্দ্ৰগিৰিৰ ৰজা হিচাপে ঘোষণা কৰিলে।

প্ৰবীণে প্ৰথমেই পল্লৱৰ ফাঁচীৰ আদেশ ৰদ কৰিলে। তাৰ পাছত জ্ঞানমুনি আৰু ৰথৰ চালকক কাৰাগাৰৰপৰা মুক্ত কৰি আনি ক'লে, "মোৰ কাৰণে বিনা অপৰাধত কাৰাগাৰত যাতনা ভুঞ্জিবলগীয়া হোৱাত মই দুঃখিত, ক্ষমাপ্ৰাৰ্থী। ৰাজকাৰ্য্য পৰিচালনাৰ বিষয়ত আগলৈ মই আপোনা-লোকৰপৰা সহায় বিচাৰিম। আপোনা-লোকে মোৰ ভুল-ভ্ৰান্তি শুধৰাই দিব, সঠিক পথেদি আগবঢ়াই নিব, মোৰ ওচৰতে আপোনালোক থাকিব।"

কিন্তু জ্ঞানমুনি আৰু ৰথৰ চালকে ৰজা প্ৰবীণৰ প্ৰস্তাৱত সন্মত নহৈ নিজ নিজ ঠাইলৈ গুচি গ'ল।

তেতিয়া পল্লৱক প্ৰবীণে ক'লে, "ইমান ডাঙৰ দেশ এখনৰ শাসনকাৰ্য্য চলোৱাটো মোৰ পক্ষে কষ্টকৰ। অন্ততঃপক্ষে তুমি মোৰ ওচৰত থাকি মোক সহায় কৰা।"

প্ৰবীণৰ এই অতি উদাৰচিতীয়া প্ৰস্তাৱত পল্লৱ তৎক্ষণাৎ সন্মত হ'ল।

ক'লে, "ওঁ, মই, পল্লৱ। তোমাৰ কাৰণে মোৰ গুৰুদেৱে বিনা দোষতে কাৰাদণ্ড ভুঞ্জিবলগীয়া হৈছে। কেনেকৈনো তুমি গুৰুদেৱক মুক্ত কৰাৰ চেষ্টা নকৰাকৈ নিশ্চিন্তে-নিৰুদ্বেগে আছা? তোমাক কেৱল আজিয়েই হত্যা কৰাৰ চেষ্টা কৰা নাই মই, তোমাৰ সেই ৰথৰ চকা ময়েই চেষ্টা কৰি ভাঙিছিলোঁ।"

পল্লৱৰ কথাৰ উত্তৰত প্ৰবীণে একো কোৱাৰ আগতেই ৰাজপ্ৰহৰীহঁতে পল্লৱক ধৰি লৈ গ'ল, আৰু ৰজাই ৰাতিটোৰ ভিতৰতে বিচাৰ কৰি পল্লৱক পাছদিনাই ফাঁচীৰ আদেশ দিলে।

এই কাহিনী কোৱৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, যিজন পিতৃয়ে তেওঁৰ পুত্ৰক ইমান মৰম কৰিছিল, সেইজন পুত্ৰই মৰমিয়াল পিতৃক বন্দী কৰিলে কিয়? আনহাতে যিজন পল্লৱে প্ৰবীণক দুবাৰকৈ হত্যাৰ চেষ্টা কৰিছিল, তাকেই পৰামৰ্শদাতা হিচাপে ৰাখিলে কিয়? ৰথৰ চালক আৰু জ্ঞানমুনিয়ে প্ৰবীণক কিয় সহায় কৰিবলৈ সন্মত নহ'ল? মোৰ এইবোৰ সহজ প্ৰশ্নৰ সঠিক উত্তৰ জানিও যদি নিদিয়া, তোমাৰ মূৰ ফাটি নিশ্চয়েই চাৰিফাল হ'ব বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "ৰথৰ চালকৰ ভেশ লৈ প্ৰবীণে দুখীয়া তিৰোতাগৰাকীৰপৰা খোৱাপানী খোজাত সেই তিৰোতাগৰাকী ৰ'ল'ৰাটোৰে কোৱা কথাখিনি শুনি অতি দুখ পাইছিল। ৰথৰ চালকৰ যে একো দোষ নাছিল, দোষ যে তাৰ, গৌৰাৰ ৰজা পদ্মপাদক সেই কথাটো বুজোৱাত প্ৰবীণ ব্যৰ্থ হৈছিল, তাৰ কথালৈ ৰজাই কৰ্ণপাতকে কৰা নাছিল। একমাত্ৰ পল্লৱেইহে প্ৰবীণক প্ৰকৃত অৱস্থা বুজাব পাৰিছিল। তেতিয়াহে প্ৰবীণে বুজিছিল যে—তাৰ পিতৃদেৱ সিংহাসনত থাকেমানে এনেবোৰ অবিচাৰ চলিয়েই থাকিব। সেই কথা গভীৰভাৱে ভাবিহে প্ৰবীণে তাৰ পিতৃদেৱক গৃহবন্দী কৰি সিংহাসনচ্যুত কৰিছিল। জ্ঞানমুনি আৰু ৰথৰ চালকে ভাবিছিল যে ৰজাৰ লগত হাল-লগ কৰিবলৈ গ'লে কেতিয়াবা বিপদৰ চাকনৈয়াত পৰিবলগা হ'ব পাৰে। প্ৰবীণৰ পৰিপূৰ্ণ পৰিৱৰ্তনৰ কথা একমাত্ৰ পল্লৱেহে বুজি পাইছিল, আৰু প্ৰবীণক সহায় কৰিবলৈ সানন্দে সন্মত হৈছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



চোৰ-পঘা

পৰ্ণগিৰিৰ ৰজাৰ কোষাগাৰৰপৰা এহেজাৰ সোণৰ মুদ্ৰা নোহোৱা হ'ল! ৰজাই যাৰ ওপৰত চোৰক ধৰাৰ দায়িত্ব দিলে তাৰ নাম যুক্তিবৰ্মা। যুক্তিবৰ্মা চোৰ ধৰাত ৰাজী হ'ল। কিন্তু ৰজাই তাৰ ওপৰত চৰ্ত এটাও জাপি দিলে। চৰ্তটো হ'ল: কালিলৈ বেলি লহিউৱাৰ আগতেই সি-চোৰটোক ধৰিব নোৱাৰে যদি, তেনেহ'লে যুক্তিবৰ্মাৰ আত্মঘাতী হ'ব লাগিব।

ৰজাৰ এই চৰ্তত ৰাজী হৈ যুক্তিবৰ্মাই ৰজাক ক'লে, "ঠিক আছে মহাৰাজ, সেয়ে হ'ব। পিছে—মই যদি তাক কালিলৈ ধৰা পেলাব নোৱাৰোঁ, আৰু পাছত সি যদি কেতিয়াবা ধৰা পৰে, তাক আপুনি মন্ত্ৰীৰ বাব দিব লাগিব। কিয়নো—মোৰ হাতত ধৰা নপৰা চোৰ সাধাৰণ চোৰ নহ'ব, সি নিশ্চয় হ'ব তীক্ষ্ণ বুদ্ধিসম্পন্ন, আৰু জ্ঞানী।"

ৰজায়ো যুক্তিবৰ্মাৰ এই চৰ্ত মানি ল'লে।

পাছদিনা, বেলি লহিউৱাৰ অলপমান আগতে, পৰিপূৰ্ণ ৰাজসভাত যুক্তিবৰ্মাই ৰজাক ক'লে, "মহাৰাজ! চোৰটোক মই ধৰিব নোৱাৰিলোঁ। গতিকে মই অলপ সময়ৰ পাছত চৰ্ত অনুসাৰে আত্মঘাতী হ'ম। কিন্তু—মোৰ আত্মঘাতী হোৱাৰ পাছত, মোৰ চৰ্ত অনুসাৰে আপুনি সেই চোৰটোক মন্ত্ৰীৰ পদত নিযুক্ত কৰিবলৈ অন্যথা নকৰে যেন। তেতিয়া মোৰ আত্মাই শান্তি লাভ কৰিব নোৱাৰিব।"

ৰজাই চৰ্ত মানিব বুলি ৰাজসভাত ক'লে।

"তেনেহ'লে মোকেই মন্ত্ৰীৰ পদত নিযুক্ত কৰক মহাৰাজ!" এই বুলি কৈ স্বয়ং কোষাধ্যক্ষ ৰজাৰ আগত হাঁহি মুখেৰে আগুৱাই আহিল। ৰজাৰ ইংগিতত প্ৰহৰীইতে কোষাধ্যক্ষক সেই মুহূৰ্ততে বন্দী কৰিলে আৰু পাছমুহূৰ্ততে ৰজাই যুক্তিবৰ্মাক মন্ত্ৰীৰ পদত নিযুক্ত কৰিলে।





কাব্য-কথা

নন্দ আৰু মৌৰ্য্য-১

এসময়ত সৰ্বাৰ্থসিদ্ধি নামৰ খ্যাতিমন্ত ৰজা এগৰাকীয়ে ৰাজধানী পাটলিপুত্ৰৰপৰা সমগ্ৰ মগধ ৰাজ্য শাসন কৰিছিল। তেওঁৰ মন্ত্ৰিসভাত 'ৰাক্ষস' নামৰ সৰ্ব-বিদ্যা-বিশাৰদ এগৰাকী মন্ত্ৰী আছিল। 'ৰাক্ষস'ৰ পৰামৰ্শমতে শাসন কৰি ৰজা সৰ্বাৰ্থসিদ্ধিয়ে সুখ্যাতি লাভ কৰিছিল।

ৰজা সৰ্বাৰ্থসিদ্ধিৰ দুগৰাকী পত্নী আছিল। প্ৰথমা পত্নী আছিল ক্ষত্ৰিয় বংশৰ। এওঁৰ নাম বনিতা। বনিতাৰ গৰ্ভজাত পুত্ৰৰ নাম অছিল নন্দ। দ্বিতীয়া পত্নী আছিল শূদ্ৰ বংশজাত মূৰ। এওঁৰ পুত্ৰৰ নাম মৌৰ্য্য। মৌৰ্য্য আছিল এজন অতি প্ৰতিভাৱান সেনাপতি।



মৌৰ্য্যৰ পুত্ৰৰ নাম চন্দ্ৰগুপ্ত। বালককালৰেপৰাই চন্দ্ৰগুপ্ত অশ্বাৰোহণ, যুদ্ধ-বিদ্যা আদিত দক্ষ হৈ উঠিছিল। চন্দ্ৰগুপ্ত আছিল নন্দতকৈ ভালেখিনি আগবঢ়া।

এসময়ত ৰজা অসুস্থ হৈ পৰিল। মৃত্যুৰ আগতে সৰ্বাৰ্থসিদ্ধিয়ে এই মত প্ৰকাশ কৰিলে যে সিংহাসনৰ প্ৰকৃত উত্তৰাধিকাৰী যদিও নন্দ, তথাপি যোগ্যতাৰ ফালৰপৰা মৌৰ্য্য হ'ল যোগ্য। ৰজাৰ সিদ্ধান্তই নন্দক ঈৰ্ষান্বিত কৰি তুলিলে।

ৰজা সৰ্বাৰ্থসিদ্ধিৰ মৃত্যুৰ পাছত নন্দই মৌৰ্য্য আৰু তেওঁৰ সম্পৰ্কীয় সকলোকে হত্যা কৰাৰ আঁচনি কৰিলে আৰু এদিন মৌৰ্য্য আৰু তেওঁৰ পুত্ৰ-পৰিজনসকলকো বন্দী কৰি আটক কৰি থ'লে।

বন্দী থকা অৱস্থাত মৌৰ্য্য আৰু আন সকলোটিকেই নিচেই সীমিত পৰিমাণে খাদ্য দিয়া হৈছিল। জীৱনধাৰণৰ প্ৰয়োজনৰ তুলনাত এই খাদ্য আছিল অত্যন্ত কম। ক'বলৈ গ'লে এজনৰ খাদ্য দহজনে ভগাই খাবলগীয়া হৈছিল।

এই অৱস্থাত এদিন বন্দীসকলে আলোচনা কৰি স্থিৰ কৰিলে যে এই খাদ্য তেওঁলোকৰ মাজত এজনেই খাব, কিয়নো ঠিকমতে এজনো জীয়াই থাকিলে এই হীন কাৰ্য্যৰ প্ৰতিশোধত এদিন নিশ্চয় ল'ব পাৰিব। সকলোৱে মিলি চন্দ্ৰগুপ্তক খাদ্যেৰে জীয়াই ৰখাৰ প্ৰস্তাৱ কৰিলে।

নন্দবংশৰ আটাইতকৈ ডাঙৰজন সিংহসনত অধিষ্ঠিত হোৱাৰ কিছুদিনৰ পাছত বংগদেশৰপৰা এজন দূত তালৈ গ'ল। এইজন দূতে এটা জটিল সমস্যাৰ কথা ক'লে। কিন্তু ৰাজসভাস্থ কোনেও এই সমস্যাৰ সমাধান কৰিব নোৱাৰিলে।

নন্দৰাজৰ মন্ত্ৰী এগৰাকীয়ে ক'লে যে, কাৰাগাৰত বন্দী হৈ থকা চন্দ্ৰগুপ্তই এই সমস্যাৰ সমাবান কৰিব পাৰিব। গতিকে চন্দ্ৰগুপ্তক কাৰাগাৰৰপৰা ৰাজসভালৈ লৈ অহা হ'লে ৰজাৰ তথা দেশখনৰো গৌৰৱ যথেষ্ট বৃদ্ধি পাব।

মন্ত্ৰীৰ প্ৰস্তাৱমতে সেই কাৰাগাৰৰ তথা পাতালগৃহৰ লৌহদ্বাৰ উন্মুক্ত কৰা হ'ল। তেতিয়া দেখা গ'ল যে বন্দী-সকলৰ মাজত একমাত্ৰ চন্দ্ৰগুপ্তহে জীয়াই আছে। চন্দ্ৰগুপ্তক কাৰাগাৰৰ-পৰা উলিয়াই আনি, স্নানাহাৰ সমাপনান্তে এই সমস্যাৰ কথা কোৱা হ'ল।

চন্দ্ৰগুপ্ত ৰাজসভালৈ আহিল. আৰু বংগদেশৰ দূতক সমস্যা সমাধানৰ উপায় কৈ দিলে। চন্দ্ৰগুপ্তৰ বিস্ময়কৰ প্ৰতিভাৰ পৰিচয় পাই ৰাজসভাস্থ সকলোটিয়েই চন্দ্ৰগুপ্তৰ প্ৰতি শ্ৰদ্ধান্বিত হৈ উঠিল।



চন্দ্ৰগুপ্তৰ প্ৰতি শ্ৰদ্ধাপূৰ্ণ সন্মান প্ৰদৰ্শনাৰ্থে ৰাজসভাত উপস্থিত থকা-সকলে চন্দ্ৰগুপ্তক হস্তীৰ পিঠিত উঠাই মৰ্য্যাদাসহকাৰে তেওঁৰ ঘৰলৈ লৈ গ'ল। এই ঘটনাৰ পাছত নন্দবংশৰ আন কোনেও চন্দ্ৰগুপ্তক পুনৰ বন্দী কৰি কাৰাগাৰত ভৰাই থোৱাত সাহস কেতিয়াও কৰা নাছিল। [অহাসংখ্যাত]

পূজাৰ মজা

তালপুৰ গাঁৱৰ তেতেলীজোপা বেছ ডাঙৰেই। এই গছজোপাৰ তলেদি তালপুৰীয়া ৰাইজ দুৰ্গা গোসাঁনীৰ থানলৈ অহা-যোৱা কৰে। এইজোপা তেতেলীত আছিল এটা পোৱালি ভূত। পোৱালি ভূতটোৱে সদায় ভাবেঃ এই মানুহ-মুনিহবিলাক মোৰেই ঠেঙৰ তলেদি দুৰ্গা গোসাঁনীৰ থানলৈ যায়, পূজা আগ কৰেগৈ; অথচ মোলৈ ইহঁতৰ মন-কাণেই নাই। এই যে এইমখাই সদায় ইটো-সিটো লৈ দুৰ্গা থানলৈ যায়, কিয় যায়? কি লাগে ইহঁতক? পায়েইবা কি? পূজাৰ মজানো কি? একোডাল নাপায়। অথচ—মোক পূজিলে,
ইহঁতে কত কি যে পালেঁহেঁতেন!

কিন্তু পোৱালিভূতে এইবোৰ কেৱল ভাবিবহে পাৰে, প্ৰতিকাৰ তো একো কৰিব নোৱাৰে। ভূতৰ ভয় খুৱাই ভকতি আদায় কৰিব নোৱাৰে সি। গতিকে সি—হুমুনিয়াহ এটা এৰি মনে মনে থাকিল।

তালপুৰ গাঁৱৰ এজন ধনী মানুহ, এজন সাধাৰণ মানুহ, আৰু দুখীয়া তিৰোতা এগৰাকী দিনৌ তেতেলীজোপাৰ তলেদি দুৰ্গা থানলৈ গৈছিল।

এদিন ধনী মানুহজনক পোৱালি ভূতটোৱে ক'লে, "অলপ ৰ'বাচোন, মোৰ কথা শুনা। দুৰ্গা গোসাঁনীয়ে তোমাক কি দিয়ে বাৰু? একো নিদিয়ে দেখোন। অথচ—মই চকুৰ পচাৰতে তোমাৰ ইচ্ছা পূৰাব পাৰোঁ।"

প্ৰথমতে ভূতক দেখি ভয় খাইছিল, যদিও পাছত সাহসৰে ধনিকে ক'লে,

'নৱকুমাৰ'

"মোৰ ইচ্ছা পূৰণ—কিনো কৰিবা? টকা পইচা মোক নালাগে, বৰঞ্চ ক'ব পাৰি, টকাৰ টকটকনি মোৰ অসহনি হৈছে। টকাৰ মোৰ অভাৱ নাই, মোৰ অভাৱ হ'ল টোপনিৰ। টকাৰ নাটনি নাই; কিন্তু চকুত টোপনি নাই।"

"ঠিক আছে—আজি ৰাতিৰেপৰাই টোপনিয়ে তোমাক বাৰুকৈ জোকাব, তোমাৰ মনে খোৱা মতে টোপনি মাৰিব পাৰিবা। পিছে এটা কথা, তোমাৰ টোপনি নোহোৱাৰ কষ্ট যদি গুচে, দুৰ্গা থানৰ দৰে ইয়াতো থান পাতি দিবা এই কিৰা কাটিবা। কোৱা, মান্তি হ'লানে?"

"হ'ব। এই কাম মোৰ পক্ষে তেনেই সহজ। মোৰ যদি টোপনিৰ কষ্ট গুচে, মই নিশ্চয় থান বনাই দিম নিজে।" এই বুলি কৈ, ধনী মানুহজনক গ'লগৈ।

অলপ পাছত সাধাৰণ মানুহজন তেতেলীৰ তলেদি গৈ থাকিল আৰু পোৱালি ভূতে মানুহজনক ৰখাই ক'লে, "ৰ'বা, মোক ভয় নকৰিবা। কথা এটা সোধোঁ। প্ৰতিদিন যে তুমি দুৰ্গাথানলৈ যোৱা, মই বহু কাল ধৰি দেখা কথা। পিছে—দুৰ্গাই বাৰু তোমাৰ কোনো ইচ্ছা আজিপধ্যে পূৰাইছেনে?"

"শুনা, ভাগ্যত থাকিলে, সময় হ'লে সকলো পূৰণ হ'ব।" সাধাৰণ মানুহজনে পোৱালি ভূতক ক'লে।

"মই কিন্তু যিকোনো মুহূৰ্ততে তোমাৰ ইচ্ছা পূৰণ কৰিব পাৰোঁ।" পোৱালি ভূতে মানুহজনক ক'লে।

"হয়নে?"

"হয়। পিছে—চৰ্ত এটা আছে। চৰ্ত হ'ল—ইয়াতো থান এখন পাতি দিবা, আৰু প্ৰতিদিন সেই থানত তুমি চাকি জ্বলাবা।" পোৱালি ভূতে ক'লে।

"মোৰ যদি ইচ্ছা পূৰণ হয়, প্ৰতিদিন চাকি তো জ্বলামেই, তোমাক প্ৰতিদিন পূজাও কৰিম। মোৰ এজনী পঁচিছ বছৰীয়া

ছোৱালী ঘৰতে পঁচিছে। তাইৰ বিয়া পাতিব পৰা নাই। তাইৰ আগত মই লাজত মূৰ দাঙিব নোৱাৰোঁ!" সাধাৰণ মানুহজনে সৰগৰীয়াকৈ সাৰকথা সদৰি কৰিলে পোৱালি ভূতৰ আগত।

"তুমি কোৱাৰ আগতেই তোমাৰ কথা মই জানিছোঁ। ঘৰলৈ যোৱা, চোৱাগৈ তোমাৰ সকলো বিধৰ সমস্যাৰ সমাধান ইতিমধ্যেই হৈ গ'ল।"

অলপ সময়ৰ পাছত সেই দুখীয়া তিৰোতাগৰাকীও তেতেলীৰ তললৈ আহিল আৰু পোৱালি ভূতে তেওঁকো ৰখালে আৰু ক'লে, "শুনা, দুৰ্গা গোসাঁনীয়ে আজিকোপতি তোমাৰ কোনো ইচ্ছা পূৰণ কৰিছেনে? নাই কৰা। তুমি দুৰ্গাৰ আগত ঢেৰ ঢেৰ নাচিলা, গীত গালা। কিবা ফল হ'লনে? নাই হোৱা। নহ'ল। নহ'বও। মই কিন্তু এতিয়াই তোমাৰ যিকোনো ইচ্ছা পূৰণ কৰি দিম। কিন্তু চৰ্ত হ'ল তুমি মোৰ থানত নাচি-গাই উছৱ পাতিবা!"

"মোৰ ইচ্ছা — তুমি কেনেকৈনো পূৰাবা? মোৰ মৰৰটোৱে প্ৰতিদিনেই টেঁটুলৈকে মদ খাই মাতাল হৈ আহে আৰু মাৰ-কিল কৰি মোৰ পৰিশ্ৰমৰ পইচাখিনি মোৰপৰা জুলুম কৰি কাঢ়ি নিয়ে।" দুখীয়া তিৰোতাগৰাকীয়ে কান্দি কান্দি ক'লে।

"ক'লোঁৱেই নহয়, তোমাৰ ইচ্ছা পূৰাম। ঘৰলৈ গৈ চোৱাচোন আজি। আজি মদ নাই মাৰ-কিল নাই একো নাই, একো নহ'ব।" পোৱালি ভূতে ক'লে।

এই কথা শুনি, ভূতৰ চৰ্তত মান্তি হৈ, তিৰোতাগৰাকীও ঘৰলৈ গ'লগৈ।

পাছদিনা ধনী মানুহজন তেতেলী তললৈ অহামাত্ৰেই পোৱালি ভূতে সুধিলে, "তোমাৰ খবৰ কি কোৱা। টোপনি হ'লনে? নিশ্চয় হ'ল? মোৰ থানৰ ভটি কেতিয়াৰপৰা খান্দিবা?"

"থানৰ ভেটি নাখান্দো, তোমাৰ কবৰৰ মাটিহে খান্দিম।" ধনী মানুহজনে

খণ্ডতে গৰ্জি উঠি ক'লে, "মোৰ টকাৰ চিন্তাত টোপনি নাহে বুলি কৈছিলোঁনে তোমাক? মোৰ টকাখিনিক এঙাৰ কৰি দিলা কিয়? ৰ'বা, ওজা মাতি মজা দেখুৱাম তোমাক।"

ওজাৰ কথাত ভয় খাই পোৱালি ভূতে ক'লে, "নালাগে মাতিব ওজা, এনেয়ে পাইছোঁ মজা। তুমি ঘৰলৈ যোৱা, চোৱাগৈ, এঙাৰখিনি পুনৰ টকা হৈ গ'ল।"

তাৰ পাছত আহিল সাধাৰণ মানুহজন। পোৱালি ভূতে সুধিলে, "তোমাৰ ইচ্ছা পূৰিলনে? ঘৰত মোৰ নামত চাকি জ্বলাই পূজিলানে মোক ?"

সাধাৰণ মানুহজনে ক'লে, "তোমাক ভালেকৈয়ে পূজা দিম, ৰ'বাচোন। ৰাম নামৰ মন্ত্ৰ মাতি ওজাই যাতে তোমাক ইয়াৰপৰা খেদে—তাৰ বন্দৰস্ত কৰিহে এৰিম মই। মোৰ ছোৱালীজনীক তুমি এটা দাড়িয়ে-গোঁফে ভোবোকাৰ মটা মানুহ কৰিলা কিয়হে?"

পোৱালি ভূতে ক'লে, "ঠিক আছে, তুমি এতিয়াই আকৌ ঘৰলৈ যোৱাগৈ, আৰু চোৱাগৈ, তোমাৰ যেন ছোৱালী তেন ছোৱালীয়েই হৈ আছে।"

তাৰ পাছত তিৰোতাগৰাকীয়ে তেতেলী তললৈ আহি পোৱালি ভূতক শাওপাত দিবলৈ ধৰিলে আৰু ক'লে, "মোৰ মৰদটো মদপী হ'ল বুলি তুমি তাক একেবাৰে লৰচৰ কৰিব নোৱৰাটো কৰি দিলা কিয়হে? মই ঔনাম ওজাক মাতি আনি পোনাম তোমাক।"

"ঠিক আছে, ঘৰলৈ উভতি যোৱা, আৰু চোৱাগৈ, তোমাৰ মৰদটো আগৰ দৰেই মদপীটো হৈ আছে।" ওজাৰ নাম শুনি ভয় খাই পোৱালি ভূতে ক'লে।

পোৱালি ভূতটোৱে এই কথা বঢ়িয়াকৈ বুজি পালে যে মানুহে একো নাপালেও দেৱতাকহে পূজিব, ভূতক নুপূজে।

কৃষ্ণাৱতাৰ

৭

কৃষ্ণ এতিয়া যুৱা। কৃষ্ণৰ কমনীয় ৰূপ এতিয়া গাভৰু ছোৱালীহঁতৰ আলোচ্য বিষয়। এদিন—মাজনিশা কৃষ্ণ যেতিয়া গোপিনীসৱৰ মাজত লীলাখেলা কৰি আছিল, তেতিয়া অৰিষ্ট নামৰ ছদ্মবেশী ৰাক্ষস এটাই তালৈ গৈ কৃষ্ণক হত্যা কৰিবলৈ চেষ্টা কৰিছিল।

*

এই ৰাক্ষসটোৱে এটা বনৰীয়া বলধৰ ৰূপ ধাৰণ কৰি তালৈ গৈছিল। এই হিংস্ৰ বন্য বলধটোক দেখি গোপিনীহঁত তাৰপৰা পলাই গ'ল। কৃষ্ণই কিন্তু বলধটোৰ শিঙত ধৰি তাক লৰচৰ কৰিব নোৱৰা কৰি পেলালে। তাৰ পাছত কৃষ্ণই বলধটোক ঘুৰিয়াই মাৰ-কিল কৰি, বহু দূৰলৈ দলিয়াই দিলে আৰু কৃষ্ণৰ এই আঘাততে প্ৰতাপী অৰিষ্ট ৰাক্ষস মৰিল।

*

কৃষ্ণৰ এনেহেন প্ৰতাপৰ কথা শুনি কংস মনমৰা হৈ পৰিল। এদিন কংসই তেওঁৰ ৰাজসভাত উগ্ৰসেন, বসু, সত্যসন্ধ, কম্প, দাৰুক, বিপ্ৰথ, বভ্ৰু আৰু এওঁলোকৰ লগতে যদু আৰু ভোজকো আমন্ত্ৰণ কৰি আনি ক'লে, "ইয়াত উপস্থিত থকা মোৰ শুভাকাংক্ষীসকল! আপোনালোক সকলোটিয়েই যথেষ্ট বুদ্ধিমান আৰু জ্ঞানী। আপোনালোকে যিকোনো কঠিন সমস্যাৰ সমাধান কৰিব পাৰে। কিন্তু মোৰ

'কংসৰ আহ্বান'



সমুখত যেতিয়া বিৰাট বিপদে মুখ মেলিছিল, আপোনালোকে সেই বিপদক দেখিও নেদেখাৰ ভাও জুৰিছিল। নন্দপুত্ৰ কৃষ্ণই মোক বধ কৰিবলৈ সাজু হৈয়েই আছে। সি মোক আক্ৰমণ কৰাৰ আঁচনি যুগুত কৰিছে। বায়ুৰ মাজেদি, বা মেঘৰ আঁৰেদিও মই আক্ৰান্ত হ'ব পাৰোঁ। কৃষ্ণ দিনে দিনে বিষবৃক্ষ বঢ়াদি বাঢ়িব ধৰিছে। সি যে কিথিনি শক্তিৰে শক্তিমান হৈ জন্মগ্ৰহণ কৰিছে, মই তাৰ বুজ ল'ব পৰা নাই। কিন্তু এই কথা নিৰ্দ্বিধাই ক'ব পৰা যায় যে—কৃষ্ণ সাধাৰণ মানুহ নহয়, নিশ্চয় কোনোবা দেৱতাৰ অংশ। কিয়নো তাৰ মাজত অলৌকিকত্বৰ শক্তি বিদ্যমান।"

এইখিনি কোৱাৰ অন্তত, কংসই পুনৰ লীলাময় কৃষ্ণৰ সম্পৰ্কে বিভিন্ন বিৱৰণ দাঙি ধৰিলেঃ

"কৃষ্ণই পূতনাক হেলাৰঙে ধধিলে, কালীয় সৰ্পকো অৱলীলাক্ৰমে দমন কৰিলে। অৰিষ্টৰ দৰে ইমান বীৰ ৰাক্ষসকো কৃষ্ণই অনায়াসে গুৰিয়াই মাৰি পেলালে। কৃষ্ণই বাল্যকালত যিবোৰ কাণ্ড কৰিলে, বহুতেই যৌৱনকালতো সেইবোৰৰ দহভাগৰ এভাগো কৰিব নোৱাৰে। একেৰাহে সাতদিন ধৰি যেতিয়া ছেদভেদ নোহোৱা বৃষ্টি হৈছিল, তেতিয়া, কৃষ্ণই বিৰাট পৰ্বতক আঙুলিৰ ওপৰত ধৰি গোকুলৰ ৰাখোৱালহঁতক ৰক্ষা কৰিছিল। সেই বিশাল পৰ্বতটোক কৃষ্ণই এটা ছাতিৰ দৰে ব্যৱহাৰ কৰিছিল। আৰু এই ঘটনাটোৰ যহতে কৃষ্ণ ৰাখোৱালহঁতৰ সমাজত অপৰিসীম শক্তিমানৰূপে জনাজাত তথা পূজ্য হৈ পৰিছিল।"

*

এখন্তেক বৈ, কংসই পুনৰ কৈ থাকিলঃ এতিয়া কেশী নামৰ এটা ৰাক্ষস ৰক্ষাকৰ্তা হিচাপে আছে। ' কৃষ্ণই যদি কেতিয়াবা কেশীকো বধ কৰিব পাৰে, তেতিয়া সি মোকো বধিব। তেতিয়া মোক

কোনেও কৃষ্ণৰ কবলৰপৰা ৰক্ষা কৰিব নোৱাৰিব। কৃষ্ণৰ ককায়েৰ বৰামোল শক্তিমত্তাৰ ফালৰপৰা কৃষ্ণতকৈ কম নহয়। তাৰ ক্ষমতাও অসীম। কি যে হ'ল, আৰু কী যে হ'ব—সেইবোৰ কথা মই নাৰদমুনিৰপৰা জ্ঞাত হৈছোঁ। দৈৱকীয়ে মাজনিশা পুত্ৰসন্তান এটি প্ৰসৱ কৰিছিল, আৰু বসুদেৱে সেই পুসন্তানটিক নন্দৰ পত্নীৰ কাষতে শোৱাই থৈছিলগৈ। আৰু —নন্দৰ পত্নীৰ গৰ্ভৰপৰা ওপজা ছোৱালী-জনীক দৈৱকীক দিছিল। বসুদেৱে সেই ছোৱালীজনীকো বৰ বেছিদিনলৈ নিজৰ ওচৰত ৰখা নাছিল। গুণী ছোৱালীজনী পাছত বিন্ধ্যবাসিনী দেৱী হ'ল। বসুদেৱে তাৰ এই অপকৰ্ম্মৰ কথা মোক কোৱা নাই। আনকি এতিয়ালৈকো কোৱা নাই। এনে বিশ্বাসঘাতকক যে মই কি কৰিম কেনেকৈ আৰু কেনেকুৱা উচিত শিক্ষা দিম, ভাবি উলিয়াব পৰা নাই।"

*

পুনৰ এখন্তেক বৈ, কংসই বসুদেৱলৈ চাই ক'লে, "তুমি যে এতিয়া কি ভাবিছা, মই বুজি নোপোৱা নহয়। তোমাৰ ল'ৰাটোৰ দ্বাৰা মোক বধ কৰোৱাৰ পাছত মথুৰাৰ সিংহাসনত বহিবৰ মন। কিন্তু তুমি এই কথাটো জানি থোৱা যে আনকি স্বয়ং ইন্দ্ৰয়ো মোৰ লোম এডালিও লৰাব নোৱাৰে। একো নজনা-নুবুজা বাবেহে তুমি ভুল বাটেৰে খোজ লৈছা। তুমি ৰাজ-পৰিয়ালত ওপজিছা, কেঁচুৱাকালৰেপৰা মোৰ দেউতাই তোমাক লালন-পালন কৰিছিল। মোৰ ভনীক বিয়া কৰাই তুমি যদুবংশৰ গুৰুৰ সন্মান লভিছা। তথাপি তুমি এনেহেন নীহ কৰ্মত লিপ্ত হ'ব পাৰিলানে? তোমাৰ ভাগ্যত যি লিখা আছে সেয়ে হ'ব,মই নিজে তোমাৰ একো অনিষ্ট নকৰোঁ। তোমাক হত্যা কৰাৰো কোনো ইচ্ছা নাই মোৰ। অদ্যাপি মই মোৰ কোনো বন্ধুক বা কোনো

ব্ৰাহ্মণক হত্যা কৰা নাই, বা আগলৈকো হত্যা কৰাৰ মন নাই। যদিও তোমাক ইয়াৰপৰা মই খেদিব পাৰোঁ, এই ঠাইত বসবাস নিষিদ্ধ কৰিব পাৰোঁ; কিন্তু এই কামো মই নকৰোঁ। যদি থাকা. থাকিবা, যদি মন নাই থকাৰ, গুচি যাবা।"

*

তাৰ পাছত কংসই বংশজাত অক্ৰূৰৰ ফালে চাই ক'লে, "মই এই বছৰতে ধনু-উৎসৱ পাতিম। দূৰ-দূৰণিৰ ৰাজন্যবৰ্গয়ো এই উৎসৱ চাবলৈ আহিব। এই উৎসৱৰ কাৰণে সেই গোকুলৰ গাখীৰ, এৰা গাখীৰ, ক্ষীৰ আৰু বন্য মধুৰ আৱশ্যক হ'ব। তুমি গোকুললৈ গৈ এইবোৰ দ্ৰব্য লৈ আহিবাগৈ। নন্দক তুমি স্বয়ং সপৰিয়ালে লৈ আহিবা তোমাৰ লগত। বলৰাম আৰু কৃষ্ণকো লৈ আহিবা। বলৰাম আৰু কৃষ্ণ হেনো অতি বলী বুলি শুনিছোঁ। মই সিহঁত দুটাক চাবলৈ বৰ আগ্ৰহী হোৱা বুলি বাখান চৰাই বলাই-ঘটাই ক'বা। তোমাকো এই কণিবিহৰ গুটি দুটাই কথা পিন্ধাই আচল কথা তল পেলাবৰ চেষ্টা কৰিব চাগৈ; পিছে— তুমি সিহঁতৰ কটৰাত গ'ল সুমুৱাবা। যেনেতেনে সিহঁত দুটাক লৈ আহিবাই!"

*

কংসৰ পৰিয়ালখনতে, কৃষ্ণৰ মৰ্ত্য-ধামলৈ আগমনৰ বিষয় বিভিন্ন জনৰ বিভিন্ন মত। কোনোবাই কৃষ্ণক অৱতাৰ বুলিও বিশ্বাস কৰে। অক্ৰূৰ হ'ল কৃষ্ণক অৱতাৰ বুলি ভবাহঁতৰ মাজত এজন।

*

কংসৰপৰা বিদায় গ্ৰহণ কৰাৰ পাছত অক্ৰূৰে কংস-প্ৰদত্ত-এখন সুসজ্জিত ৰথত উঠি কৃষ্ণৰ ওচৰলৈ ৰংমনে ৰাওণা কৰিলে।

*

ভালেকেইজনৰ আগত কংসই বসুদেৱক তেনেকুৱা কথা কোৱাত বয়সিয়ালসকল অত্যন্ত বিৰক্ত তথা বিতুষ্ট হ'ল। পিছে—

কংসক একো কোৱাৰ, বা কংসৰ বক্তব্যৰ প্ৰতিবাদ কৰাৰ সাহস কাৰো নহ'ল।

*

কিন্তু এজন আগুৱাই আহিল। অন্ধক নামৰ যদুবংশৰ এগৰাকী বৃদ্ধই নির্ভয়ে কংসক ক'লে, "তুমি যিবোৰ কথা ক'লা, কোনোবা ৰজাৰ মুখত সেইবোৰ কথা শোভা নাপায়। ৰজা-মহাৰাজসকলে ভাবি-গুণি কথা কোৱা উচিত। তোমাৰ কথাত যি অহংকাৰ প্ৰকাশিত হৈছে, সেয়া কেৱল তোমাৰ জীৱনকে নহয়, তোমাৰ বংশকো কলংকিত কৰিব। বসুদেৱে তেওঁৰ পুত্ৰক লুকাই থৈছিল বুলি তুমি সকলোটিৰ আগত ক'লা। তোমাৰ বক্তব্য হ'ল যে—বসুদেৱে এক জঘন্য অপৰাধহে কৰিলে। কোনজন পিতৃয়ে, কোনজনী মাতৃয়েনো নিজৰ সন্তানক বিপদৰ কবলৰপৰা ৰক্ষা নকৰে? তোমাৰ মাৰা-দেউতাৰাই তোমাক লালন-পালন কৰোঁতে সাৱধানতা অৱলম্বন কৰা নাছিলনে? আমি যে তোমাক পৰিত্যাগ কৰা নাই, এয়া আমাৰ দুৰ্বলতা তথা বুদ্ধিহীনতা। আমাতকৈ অক্ৰূৰ ভাগ্যৱান। অক্ৰূৰ যেতিয়া কৃষ্ণক দৰ্শন কৰি উভতি আহিব, তেতিয়া আমি অক্ৰূৰক দৰ্শন কৰি পৱিত্ৰ হ'ম। কৃষ্ণ ইয়ালৈ আহে যদি, তোমাৰ মৃত্যু অৱধাৰিত। কৃষ্ণৰ ক্ৰোধৰপৰা কোনেও





তোমাক ৰক্ষা কৰিব নোৱাৰিব। সেয়েহে কওঁ, তুমি নিজেই গোকুললৈ গৈ কৃষ্ণক দৰ্শন কৰি কৃষ্ণৰ সৈতে মধুৰ সম্পৰ্ক স্থাপন কৰা আৰু সজ বাট লোৱা।"

*

কিন্তু অন্ধকৰ কথা অসহনি হোৱাত জুইহেন ক্ৰুদ্ধ আৰু প্ৰতিশোধ পৰায়ণ কংস সিংহাসন এৰি কাঁড় যোৱাদি গুচি গ'ল।

*

অক্ৰূৰ গোকুললৈ যোৱাৰ আগতেই কংসই ৰাক্ষস কেশীক বৃন্দাবনলৈ পঠাই দিলে। কেশী ঘোঁৰাৰ ৰূপ লৈ গোকুললৈ গ'ল আৰু তাৰ গাই-গৰু-ছাগলী, আৰু গৰখীয়াইঁতকো ধৰি ধৰি খাবলৈ ধৰিলে।

*

এই ঘোঁৰাটোক দেখি গোকুলবাসী আতংকিত হৈ উঠিল আৰু আত্মৰক্ষাৰ বাবে সকলোটি কৃষ্ণৰ কাষ চাপিল।

*

কৃষ্ণই গোকুলবাসীক অভয় প্ৰদান কৰিলে, আৰু কৃষ্ণক বধিবলৈ অহা কেশী তথা ঘোঁৰাটোক প্ৰচণ্ড ডাবি মাৰিলে।

*

কৃষ্ণৰপৰা ডাবি-ধমকি খাই ঘোঁৰাৰূপী ৰাক্ষস কেশী অতি ক্ৰুদ্ধ হ'ল আৰু কৃষ্ণক আক্ৰমণ কৰিলে। কেশীৱে কৃষ্ণক গিলি খাবলৈ মুখ মেলি খেদি গ'ল আৰু কৃষ্ণই চকুৰ পচাৰতে কেশীৰ দীঘল জিভাখনত ধৰি জোৰেৰে টানি ধৰাত কেশী লৰ-চৰ কৰিব নোৱৰা হ'ল।

*

চাওঁতে চাওঁতে কেশী অৱশ হৈ পৰিল, সি মাটিত বাগৰি পৰিল, তেজ বঁতিয়াবলৈ ধৰিলে আৰু অলপ পাছত সি মৰিল।

*

এইদৰে, গোকুলবাসীক স্বয়ং কৃষ্ণই এক বিৰাট বিপদৰপৰা ৰক্ষা কৰিলে। গোকুলৰ গোপিনীসৱে এই বিপদনিবাৰক কৃষ্ণক ফুলমালাৰে ঢাকি পেলালে।

Sankar

তেতিয়া আকাশপথেৰে গৈ থকা নাৰদমুনিয়ে কৃষ্ণক ক'লে, "কৃষ্ণ, মই যে কাজিয়া-বিবাদ কৰি ভাল পাওঁ, সেই কথা সকলোৱে জানে। অশ্বটোৰ সৈতে তোমাৰ কাজিয়া এখন লগা ,দখি বৈ দিছিলোঁ ইয়াত। তোমাৰ অতুলনীয় পৰাক্ৰম আৰু কেৱল ইন্দ্ৰৰ মাজতহে আছে। এই বিষয়ত শিৱৰ নামো ল'ব পাৰি। কিন্তু ৰাক্ষস কেশীক পৰ্য্যুদস্ত কৰাত ইন্দ্ৰও বিফল হৈছিল। ইন্দ্ৰয়ো কৰিব নোৱৰা কাম তুমি কৰিব পৰা হেতুকৈ তোমাৰ নাম হওক 'কেশৱ'।"

*

কেশীৰ মৃত্যুৰ পাছত অক্ৰূৰ ঘোঁৰাত উঠি গোকুললৈ আহিল। তেতিয়া সাঁজ লাগি ভাগিছিল। জোনৰ পোহৰেৰে গোকুল তেতিয়া উদ্ভাসিত। তেতিয়া কেশীৰ মৃত্যুত গোকুলবাসী আনন্দমগ্ন।

এই পৰিবেশত অক্ৰূৰে বলৰাম আৰু কৃষ্ণৰ দৰ্শন লভিলে। অক্ৰূৰে কৃষ্ণৰৰ চৰণত প্ৰণাম কৰি আত্মপৰিচয় প্ৰদান কৰিলে। অক্ৰূৰে কৃষ্ণক অভাৰিত ভক্তিৰে বন্দনা কৰিলে আৰু পুনৰ প্ৰণিপাত কৰিলে। অক্ৰূৰৰ এনে নিজনি ভকতিৰ পৰিচয় পাই কৃষ্ণ বিমুগ্ধ হ'ল আৰু তাৰ পাছত প্ৰেমৰ সাগৰ কৃষ্ণই অক্ৰূৰক আঁকোৱালি ল'লে।"

তাৰ পাছত নন্দ আৰু অন্যান্য বিশিষ্ট লোকসকল অক্ৰূৰৰ অনুৰোধত তাত সমৱেত হ'ল। অক্ৰূৰে তেওঁলোকক ক'লে, "মহাৰাজ! কংসই ধনু-উৎসৱ পাতিছে। গোকুলবাসীয়ে গাখীৰ দৈ ক্ষীৰ লৱণু আদি লৈ এই উৎসৱলৈ যোগদান কৰক—এয়ে মহাৰাজ কংসৰ অভিলাস। তেওঁক বন্য মধুও লাগে। মই বলৰামক আৰু কৃষ্ণক মোৰ লগত লৈ যাম। আপোনালোকো অনতিপলমে এই উৎসৱলৈ বুলি যাত্ৰা কৰক।"

ডলা-মূৰীয়াৰ খোলা

প্ৰায় পাঁচশ বছৰৰ আগেয়ে স্থুচৌ নগৰৰ পশ্চিম দিশত ওৱেন চি নামৰ এজন মানুহ আছিল। ওৱেন চি আছিল গভীৰ বুদ্ধিসম্পন্ন মানুহ। দবাখেলত ওৱেন চি আছিল সুদক্ষ। সি চিত্ৰাংকণ, অভিনয়, গান আৰু যিকোনো বাদ্যযন্ত্ৰ বজাব পাৰিছিল।

এগৰাকী জ্যোতিষীয়ে ওৱেনক কৈছিল যে সি এদিন ধনী হ'ব। বিৰাট ধনী। জ্যোতিষীৰ কথা শুনি ওৱেনে ধেঁাৰাখুলীয়াৰ দৰে ধন খৰচ কৰি থাকিল।

এইদৰে, ওৱেনৰ উপৰিপুৰুষসকলে থৈ যোৱা ধন ক্ৰমাত কমি যাবলৈ ধৰিলে।

এদিন চল্লিছজন বেপাৰীয়ে একেলগে এখন জাহাজত উঠি সাগৰ পাৰ হৈ বণিজলৈ ওলাব বুলি ঠিক কৰাৰ কথা শুনি ওৱেনে তাকো লৈ যাবলৈ অনুৰোধ কৰিলে। ওৱেন আছিল ৰসিক মানুহ। সেয়েহে, বাটৰ লগৰী হিচাপে এজন ৰসিকক বেপাৰীহঁতে লগত ল'লে।

ওৱেনৰ উদ্দেশ্য আছিল দেশভ্ৰমণ। কিন্তু চাং নামৰ বিখ্যাত বণিজাৰ এজনে ভাবিলে : ওৱেন আহিল যেতিয়া, তাকো বেহা-বেপাৰৰ সা-সুবিধা দিব লাগিব। চাঙে ওৱেনক সহায় কৰাৰ মনেৰে সকলোটিৰপৰা অলপ অলপকৈ ধন খুজিলে। কিন্তু বহুতেই ওৱেনক ধনেৰে সহায় কৰাত সন্মত নহ'ল। যি কি নহওক, তাৰ বাবে সৰ্বমুঠ একুৰি ৰূপ সংগৃহীত হ'ল। চাঙে মুদ্ৰা একুৰি ওৱেনক দিলে আৰু তাক ক'লে, "ওৱেন, মাত্ৰ একুৰি মুদ্ৰাৰে তুমি কোনো বেহা-বেপাৰ কৰিব

নোৱাৰিবা। তুমি বৰঞ্চ এইখিনি মুদ্ৰাৰে অলপ ফল কিনি লোৱা। আমি বহু দিন ধৰি গৈ থাকিব লাগিব।"

ওৰেনে সেই একুৰি মুদ্ৰাৰে বজাৰৰপৰা কমলাটেঙা কিনিলে। সি কমলাটেঙা কিনাত সকলোটিয়েই ইতিকিং কৰিলে।

তাৰ পাছত বহু বহু দিনৰ অন্তত, জাহাজখনে এখন দেশত নঙৰ পেলালেগৈ। বেপাৰীহঁতে সেই দেশলৈ লৈ যোৱা বিভিন্ন বস্তু-সামগ্ৰী দহোগুণ দামত বেচিলে আৰু সেই দেশৰপৰা বহুবিধৰ সামগ্ৰী নিচেই কম দামত কিনিলে। এইবোৰ চীনদেশত হেনো অত্যন্ত চৰা দামে বিক্ৰী হ'ব।

আটাইকেইজন বেপাৰী যেতিয়া জাহাজৰপৰা নামি নগৰলৈ গ'ল, তেতিয়া ওৰেনে তাৰ কমলাটেঙাবিলাক উলিয়ালে আৰু এটা খাই চালে মিঠানে টেঙা। সেই নগৰত কোনেও কাহানিও কমলা-টেঙা দেখা নাছিল। গতিকে কিছুমানে ওৰেনেৰপৰা এই আশ্চৰ্য্যজনক ফলটো কিনি ল'লে আৰু ভয়ে ভয়ে খালে। এজন-দুজন-তিনিজনে খোৱাত বহুতেই নেদেখা-নুশুনা ফলটো খাবলৈ অতি আগ্ৰহী হৈ উঠিল আৰু ওৰেনে ইমান ভিৰ হোৱা দেখি কমলাটেঙাৰ দাম চাৰিগুণ কৰি দিলে। কিন্তু তথাপি, ইমান চৰা দামতো, ওৰেনৰ কমলাটেঙা আটাইবোৰ বিক্ৰি হৈ গ'ল।

তিমানতে বেপাৰীহঁতো নগৰৰপৰা উভতি আহিল। ওৰেনৰ কথা-কাণ্ড শুনি সিহঁতৰ চকু ঢেলুকা-ঢেলুক হ'ল। তাৰ পাছত ওৰেনক এজন বেপাৰীয়ে ক'লে, "ওৰেন, তুমি—সঁচাকৈয়ে ভাগ্যবান। তুমি এই ঠাইৰপৰা কিছুখিনি বস্তু কিনি লোৱা, ঢেৰ লাভ কৰিব পাৰিবা।"

কিন্তু ওৰেনে বেপাৰীহঁতৰ কথামতে একো নিকিনা হ'ল। সি ভাবিলে: মোৰ ভাগ্য যদি সঁচায়ে ভাল, ফুলেৰে যদি কপাল পাবলগাখিনি মই পামেই।

তাৰ পাছত জাহাজখন পুনৰ গৈ থাকিল। হঠাৎ এনিশা সাগৰৰ বুকুত ধুমুহা উঠিল আৰু তাৰ ফলত জাহাজখনে এটা সৰু দ্বীপত নঙৰ পেলাবলৈ বাধ্য হ'ল।

বেপাৰীহঁতে কোৱাকুই কৰি থাকিল: "এই অকণমান দ্বীপটোত কিনো পোৱা যাব? একো পোৱা নাযায়। গতিকে— ইয়াত নমাৰো আৱশ্যক নাই।"

কিন্তু ওৱেন জাহাজৰপৰা নামি অকলৈই দ্বীপলৈ গ'ল।

ওৱেনে এই দ্বীপত অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰি। গৈ গৈ দ্বীপৰ এঠাইত সি বিৰাট হাঁফলু এটা দেখা পাই হাঁফলুটোৰ কাষ চাপি গৈ বিস্ময়ত হতবাক হ'ল। কথাকি? এই হাঁফলুটো আচলতে এটা কাছৰ খোলাহে। ডলা-মূৰীয়া কাছৰ খোলা। আকাৰত বিৰাট।

ওৱেনে ভাবি থাকিল: ইমান ডাঙৰ কাছ—কেনেকৈনো হয়? কাছ হয়নে বাৰু? ইমান বিৰাট কাছৰ খোলা যে পৃথিৱীত কোনেও আগে আৰু দেখা নাই —সেই কথাত সি নিশ্চিত। সি এই ডলা-মূৰীয়া কাছৰ খোলাটো বহু কষ্টেৰে জাহাজলৈ টানি আনিলে।

পাছদিনা জাহাজখন পুনৰ সাগৰৰ বুকুৰেদি গৈ থাকিল। গৈ গৈ গৈ গৈ— এদিন জাহাজে চীনদেশ পালেগৈ। তাত বেপাৰী আৰু দালালহঁতে জাহাজেৰে কঢ়িয়াই লৈ অহা বস্তু-সামগ্ৰী কিনি লোৱাৰ বাবে বিভিন্ন বেপাৰীৰ লগত চুক্তি কৰিবলৈ ধৰিলে। এজন ইৰাণীয় বেপাৰীৰচকু পৰিল চুপচাপ হৈ থকা ওৱেনৰ ওপৰত। এই ইৰাণীয় বেপাৰীজনৰ নাম আছিল আবু হাছান।

দৰ-দাম কৰাৰ সময়ত কিনোতা বেপাৰীহঁতে আনোতা বেপাৰীহঁতক বিভিন্ন খাদ্য আৰু পানীয়ৰে আপ্যায়ন কৰিছিল। আৰু বেপাৰীৰ গুৰুত্ব ঠাৱৰ কৰি ওখ বা চাপৰ আসনত, আগ বা পিছৰ শাৰীত

বহিবলৈ দিছিল। এই কৰ্ম্ম কৰাৰ আগতে বেপাৰীইঁতে লৈ অহা বস্তুৰ তালিকা চাই লৈছিল। ওৱেনৰ হাতত কোনো তালিকা নাছিল। এতেকে—তাক একেবাৰে পিছফালে ঢাৰিৰ ওপৰত বহিবলৈ দিয়া হৈছিল।

পাছদিনা, ইৰাণী বেপাৰী আবু হাছান জাহাজত উঠিলগৈ বস্তু-সামগ্ৰী পৰিদৰ্শন কৰিবলৈ। জাহাজত উঠাৰ লগে লগেই ডলা-মূৰীয়াৰ খোলাটো আবুৰ চকুত পৰিল। ইমান বিৰাট খোলা দেখি তাৰ চকু ঘোলা হৈ গেলা হওঁ হওঁ হ'ল। আবুৱে অবাক কণ্ঠেৰে প্ৰশ্ন কৰিলে, "এনে অমূল্য—আপুৰুগ কাছৰ খোলাটোৰ মালিক কোন? এইটো—বিক্ৰি কৰা নহ'বনে?" আবুৰ কথাত এজন বেপাৰীয়ে ওৱেনলৈ আঙুলিয়ালে।

আবু আৰু অবাক! এনে মান্যৱন্ত বেপাৰী ওৱেনক একেবাৰে পিছৰ শাৰীত ঢাৰিত বহিবলৈ দিয়াত এতিয়া আবু লজ্জিত, আৰু ক্ৰুদ্ধও। আবুৱে ভোৰভোৰাই কৈ থাকিল, "ইমান অমূল্য সামগ্ৰীৰ মালিকক কোনেও মোৰ লগত চিনাকি কৰি দিয়া নাই। কথা বাস্তৱিকতে অতি লাজৰেই!"

তাৰ পাছত আবু হাছানে ওৱেন চি-ক আমন্ত্ৰণ কৰি লৈ গ'ল। বহু সময় ধৰি ইমান ডাঙৰ তথা দুষ্প্ৰাপ্য কাছৰ খোলাটোৰ বিষয়ে সোধ-পোছ কৰিলে আৰু তাৰ পাছত অন্যান্য বেপাৰীৰ আগত সুধিলে, "ওৱেন, তুমি এই দুষ্প্ৰাপ্য ডলামূৰীয়াৰ খোলাটো বেচিবানে?"

ওৱেন—দেখাত বেচাৰা ধৰণৰ হ'লেও বেওকুফ নাছিল। কেতিয়া কোন কথাৰ উত্তৰত কি ক'ব লাগে—সি জানিছিল। সেয়েহে, আবু হাছানৰ প্ৰশ্নৰ উত্তৰত ওৱেনে ক'লে, "ভাল দাম পাওঁ যদি—কিয় নেবেচিম?"

"ভাল দাম মানে— কিমান দাম?

তুমি খোলাটোৰ দাম কিমান ল'বা তাকে কোৱা।" আবু হাছানে সুধিলে।

তেতিয়া ওৱেনে তাৰ শুভাৰ্থী চাঙৰ সৈতে এই বিষয়ে পৰামৰ্শ কৰিলে। পৰামৰ্শৰ অন্তত চাঙে আবু হাছানক ক'লেগৈ, "হেৰি হ'ল নহয়, কি বোলেনে —ওৱেন হ'ল অলপ ৰাজকুৰীয়াবিধৰ ল'ৰা। সি নিজে একো নকয়। পিছে— এই কথা বুজি পালোঁ যে সি দহহেজাৰ ৰূপ পালেহে বেচিব খোলাটো।"

"তেনেহ'লে তেওঁ এই ডলা মূৰীয়াৰ খোলাটো ওৱেন বিক্ৰি নকৰিব বুলিয়েই ধৰি ল'মনে?" আবু হাছানে পোন-পটীয়াকৈ চাঙক সুধিলে।

তাত আৰু ঢেৰ বেপাৰী আছিল। এই নাওহেন কাছৰ খোলাটো টানি টানি দ্বীপৰপৰা জাহাজলৈ লৈ অহাৰ কাৰণে জাহাজৰ যিবোৰ বেপাৰীয়ে ওৱেনক ইতিকিং কৰিছিল, সেই বেপাৰীহঁতে এতিয়াহে ঠাৱৰ কৰিব পাৰিলে যে ক'ৰ পানী ক'লৈ গ'ল।

চাঙে আবু হাছানক ওৱেনৰ কাহিনী সবিস্তাৰে কোৱাৰ অন্তত এই ডলা-মূৰীয়াৰ খোলাৰ দাম ধাৰ্য্য কৰাৰ দায়িত্বও আবুকে দিলে। কিয়নো, ডলা-মূৰীয়াৰ খোলাটোৰ গাত লাগি আছিল বহুসংখ্যক মণি-মুকুতা। কথাটোলৈ কেৱল ওৱেনেই মন কৰিছিল, আৰু কৈছিল সি চাঙক।

এইবাৰ ইৰাণীয় বেপাৰী আবু হাছানে ডলা-মূৰীয়াৰ খোলাটোৰ দাম নিৰ্দ্ধাৰণ কৰিলে পঞ্চাছ হাজাৰ ৰূপ। আৰু এই দামতে খোলাটো বিক্ৰি হৈ গ'ল!

ডলা-মূৰীয়াৰ খোলাৰ যহতে ওৱেনৰ কপালৰ দুৱাৰ খুলি গ'ল। কিছুদিনৰ পাছত ওৱেনে বিয়া কৰালে। এটা ধুনীয়া ঘৰ সাজিলে। আৰু এই অপৰূপ অভিনৱ ঘৰটো দূৰৰপৰা দেখাত লাগিছিল যেনিবা এটা বিৰাট ডলা-মূৰীয়াৰ খোলা!

দামত বছা দৰা

[যোৱা সংখ্যা পিছৰপৰা]

এই কাহিনী কোৱাৰ অন্তত দামিনীয়ে তাইৰ দেউতাকক সুধিলে, "দেউতা, কৌণ্ডিল্যদেশৰ যুৱৰাজক বিয়া কৰোৱা উচিতনে? নে ৰাজশেখৰক? নে—এই দুয়োজনকে বাদ দি গন্ধৰ্বকে বিয়া কৰোৱা উচিত? বিষয়টো যে বিতৰ্কমূলক, সেই কথাত সন্দেহ নাই। মাকে ইজনক বৰণ কৰি ল'বলৈ ক'লে, ছোৱালীৰ মন আন এজনত। এতিয়া প্ৰশ্ন হ'ল—এই তিনিজনৰ মাজত কনকপ্ৰভাই কোনজনক পতিৰূপে নিৰ্বাচন কৰিব? কাক নিৰ্বাচন কৰিলে ধৰ্মৰক্ষা হ'ব? এই তিনিজনৰ মাজত কাৰ ইচ্ছা পূৰণ কৰা উচিত? —এয়ে হ'ল কাহিনীৰ সমস্যা। মোক যিসকলে বিবাহ কৰাবলৈ ইচ্ছুক হ'ব, তুমি তেওঁলোকক এই কাহিনীভাগ ক'বা, আৰু তেওঁলোকে এই সমস্যাৰ যি সমাধান দিয়ে, মোক ক'বাহি। তেতিয়া মই মোৰ মতামত প্ৰকাশ কৰিম।"

ৰজা নন্দনবৰ্মদেৱে কৌতূহলী হৈ জীয়েকক সুধিলে, "তুমি যি কাহিনী ক'লা, যিখিনি শুনিলোঁ, ৰাজকুঁৱৰী কনকপ্ৰভাই শেহলৈ গন্ধৰ্বকে বিয়া কৰাব যেন পাওঁ। মই ঠিক কৈছোঁনে?"

দামিনীয়ে ক'লে, "তোমাৰ প্ৰশ্নৰ উত্তৰ—তোমাৰ আগন্তুক জোঁৱায়েৰে দিব, দেউতা। এই তিনিজনৰ মাজত কেৱল এজনৰ নামটো কৈ দিলে নহ'ব, তাৰ হেতুও সবিস্তাৰে জনাব লাগিব।"

কেইমাহমান চাওঁতে-চিঁত্তোতে ভাবোঁতে গুণোতে উকলিল। ইতিমধ্যে দামিনীক

দীপিকা দত্ত

বিবাহ কৰাবলৈ বহুতেই আগ্রহী হৈ আহিছিল ; কিন্তু এই কাহিনীৰ সমাধান-মূলক উত্তৰ কোনেও দিব নোৱাৰিলে।

এনেতে, ৰজা নন্দনবৰ্মাদেৱৰ বন্ধুস্থানীয় জয়ন্তদেশৰ ৰজাই এখন বিচিত্ৰ পত্ৰৰে সৈতে তেওঁৰ পুত্ৰক নন্দনবৰ্মাদেৱৰ ওচৰলৈ পঠালে। এই পত্ৰখনত লিখা আছিল ঃ

'প্ৰিয় নন্দন,

তিনি যুগৰ আগেয়ে আমাৰ দেশে চুবুৰীয়া ৰাজ্য বল্হানদেশৰ বিৰুদ্ধে যুদ্ধ কৰিছিল, আৰু সেই যুদ্ধত পৰাজিত হোৱাৰ ফলত আমাৰ দেশখন সামন্তদেশ-ৰূপে পৰিগণিত হৈছিল, তুমি নিশ্চয় সেই কাহিনী অৱগত। বল্হানদেশৰ বৰ্তমান ৰজা বিকৰ্ণ তেওঁৰ উপৰিপুৰুষ-সকলৰ তুলনাত অধিক নিষ্ঠুৰ-নিৰ্মম আৰু আচাৰ-আচৰণৰ ফালৰপৰাও কুৎসিৎ। এই বিকৰ্ণই, মোৰ যিকণ মান-সন্মান আছে, সেইকণ মান-সন্মান, আৰু লগতে আনকি মোৰ অস্তিত্বও পৃথিৱীৰপৰা লুপ্ত কৰিব খুজিছে। মোৰ যথেষ্ট বয়স হ'ল। মোৰ এই পুত্ৰ চন্দ্ৰহাসৰ বিবাহ নিজ চকুৰে চাই যোৱাৰ মোৰ মনত বৰ অভিলাস। আশা কৰিছোঁ, পত্ৰখন পাঠ কৰি, এই বিষয়ে তুমি তোমাৰ মতামত মোক জনাবা। মোৰ এই পুত্ৰ চন্দ্ৰহাসে বিকৰ্ণৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আমাৰ দেশৰ বিভিন্ন জনজাতীয় সম্প্ৰদায়ৰ সাহসী

মানুহবিলাকক গোটাই লৈ এক বিৰাট সৈন্যবাহিনী গঠন কৰিছে। মোৰ একান্ত অনুৰোধ, চন্দ্ৰহাসৰ এই মহৎ কাৰ্যত তুমি তোমাৰ উচ্চ প্ৰশিক্ষিত সৈন্য কিছুমান দি সহায় কৰা। বন্ধু হিচাপে এই অনুৰোধ তথা দাবী—তোমাৰ ওচৰত জনালোঁ।’

বন্ধুৰে লিখা চিঠিখন পঢ়ি নন্দন-বৰ্মাদেৱে বন্ধুপুত্ৰ চন্দ্ৰহাসক ক’লে, “চোৱা বোপা, তোমাক যিমান সৈন্য লাগে, দিম। ধনৰো মোৰ নাটনি নাই। কিন্তু ধন-জন থকা সত্বেও বিৰাট এক সমস্যাত পৰি মই সদায় দুশ্চিন্তিত।”

“আপোনাৰ সমস্যাৰ কথা মই জানিব পৰাবিধৰ নে?” চন্দ্ৰহাসে সুধিলে।

“জানিব পৰাবিধৰ নহয় বুলি নকওঁ। কিন্তু সমাধান তুমি কৰিব পাৰিবানে?” নন্দনবৰ্মাদেৱে চন্দ্ৰহাসক দামিনীৰ কোৱা কাহিনী কোৱাৰ অন্তত ক’লে, “আজিলৈকে যিমান আহিল, সকলো ব্যৰ্থ হ’ল,

“তেওঁক তুষ্ট কৰিব পৰা উত্তৰ মই দিব পাৰিম।” চন্দ্ৰহাসে ক’লে, “কোনো ছোৱালীয়েই পিতৃৰ নিজস্ব এদনীয়া সম্পত্তি নহয়।

চক্ৰসেনে বিশ্বম্ভৰৰ সৈতে বাজি মাৰি কনকপ্ৰভাক হৰুৱালে। যি সম্পত্তি নিজৰ নহয়, সেই সম্পত্তি ঘৰত ৰখাও উচিত নহয়। চক্ৰসেনৰ কাৰ্য্য ধৰ্মসন্মত নাছিল।

“তাৰ পাছত—গন্ধৰ্ব বৰুণৰ কথালৈ অহা যাওক। ৰাজকুঁৱৰী কনকপ্ৰভাৰ ৰূপ চাই মুগ্ধ হৈ ক্ষন্তেকীয়া মোহৰ আৱৰ্তত পৰি তেওঁক বিয়া কৰাব বুলি কোৱাত পূৰ্ণযৌৱনা কনকপ্ৰভায়ো এই প্ৰস্তাৱত সমধিক গুৰুত্ব আৰোপ কৰিলে আৰু বৰুণক বিয়া কৰাব বুলিও মনতে একপ্ৰকাৰ খাটাংৱেই কৰিলে। কিন্তু পাছত ৰাজকুঁৱৰী কনকপ্ৰভাই এই বিষয়ে দ’কৈ চিন্তা কৰাৰ অন্তত দুয়োজনকে বাতিল কৰিলে।

“কনকপ্ৰভাৰ যোগ্য পাত্ৰ যে কেৱল

ৰাজশেখৰহে হ'ব পাৰে, ৰাজকুঁৱৰীৰ মাতৃ ইন্দুমতী এই কথাটোত দৃঢ়নিশ্চয় হ'ল। জীয়েকৰ মনোভাৱ ভালকৈ জানি লোৱাৰ পাছত ইন্দুমতীয়ে ৰাজশেখৰক ক'লে, 'মই মোৰ দামিনীজনীৰ বিয়াত যথাসাধ্য অমূল্য-বস্তু দিম।'

"জীয়েকৰ মংগলকামনা কৰি ৰাণী ইন্দুমতীয়ে এইকেজনৰ মাজৰপৰা একমাত্র ৰাজশেখৰকহে শ্রেষ্ঠ আৰু যোগ্য প্রার্থী হিচাপে বাছনি কৰিছিল।"

ৰজা নন্দনবর্মাদেৱে ৰাণী ইন্দুমতীৰ যোগেদি চন্দ্রহাসৰ সমাধানমূলক এই উত্তৰ দামিনীক কৈ পঠালে।

আৰু—

অলপ পৰৰ পাছত ৰাজকুঁৱৰী দামিনীয়ে তেওঁৰ বছা বছা সখিয়েকহঁতক লগত লৈ আৰু আটকধুনীয়া ফুলৰ মালা এধাৰ হাতত লৈ দেউতাকৰ কাষত ৰ'লহি। তাৰ পাছত, দেউতাকে চন্দ্রহাসৰ সৈতে চিনাকি কৰাই দিয়া মাত্রকে ৰাজকুঁৱৰী দামিনীয়ে ৰাজকোঁৱৰ চন্দ্রহাসৰ ডিঙিত সেই মালাধাৰ তৎক্ষণাৎ পিন্ধাই দিলে।

আৰু লগে লগে ৰজা নন্দনবর্মাদেৱেও স্বস্তিৰ উশাহ এৰিলে। তেওঁৰ মূৰৰপৰা শিলৰ গধুৰ বোজা খহি পৰা যেন পালে তেওঁ।

আৰু তাৰ পাছত এদিন—

এদিন বহুসংখ্যক বিশিষ্ট ব্যক্তিৰ উপস্থিতিত, এক শুভ লগ্নত চন্দ্রহাস আৰু দামিনীৰ বিবাহ সমাধা হৈ গ'ল।

তাৰ পাছত, চন্দ্রহাসে তেওঁৰ শহুৰেক ৰজা নন্দনবর্মাদেৱৰ সৈন্যবাহিনীৰ সহায়ত বিকর্ণক আক্রমণ কৰিলেগৈ। চন্দ্রহাসে দুষ্ট বিকর্ণক পৰাজিত কৰি চন্দন, জয়ন্ত আৰু বলহান দেশৰ ৰজা হিচাপে শিষ্টতাৰে বহুকাল জোৰা শাসনকার্য্য সুকলমে চলাই সৎ শাসক ৰূপে সুনাম তথা প্রজাবর্গৰ মৰম আর্জিছিল।

যোৰৰো যোৰ

কোনোবা এখন দেশত সূৰ্য্যনাৰায়ণ আৰু মালতীলতা নামৰ এহাল দম্পতি আছিল। প্ৰতিদিন ৰাতি পুৱাৰ লগে লগে সূৰ্য্যনাৰায়ণ খেতি-পথাৰলৈ যায় আৰু মুনি-চুনিতে ওভতে। মালতীলতা ঘৰতে থাকে, থাকি ইটো কৰে সিটো কৰে, কুকুৰ পোহে, কুকুৰাও পোহে।

মালতীলতাৰ গিৰিয়েক সূৰ্য্যনাৰায়ণে এদিন কুকুৰাৰ মঙহ খাবলৈ বিচাৰিলে; কিন্তু মালতী মান্তি নহ'ল।

সূৰ্য্যই ভাবি থাকিল কেনেকৈ কি কৌশলেৰে মালতীৰপৰা কুকুৰাৰ মঙহ খাব।

এদিন সি মালতীক ক'লে, "মালতী, কথা এটা কওঁ শুনা। কালি মই ঘোচাম-গাঁৱৰপৰা ঘৰলৈ উভতি আহোঁতে বাটত এগৰাকী সাধুৰ সৈতে দেখাদেখি হ'ল। ইকথা-সিকথা-কত যে কথাৰ অন্তত সেই সাধুক মই ক'লো, 'সাধু মহাৰাজ! পুৱাৰ-পৰা গধূলিলৈকে মই পথাৰতে পৰি থাকোঁ, খেতি-খোল কৰি থাকোঁ; কিন্তু তথাপি শ্ৰমৰ জোখাৰে ফচল নাপাওঁ। ইয়াৰ কাৰণ কি?' মোৰ প্ৰশ্নৰ উত্তৰত সাধু মহাৰাজে ক'লে, 'বেটা, তহঁতৰ গাঁৱৰ শেষ প্ৰান্তত যিজোপা বিৰাট গছ আছে, সেই গছৰ খোৰোঙত আছে ফচলৰ দেও। এই দেওক ঠিকঠাককৈ পূজা দিলেই তোমাৰ শস্যৰ উভৈনদী।' মই বোলোঁ—'বাবাজী মহাৰাজ! ঠিকঠাক পূজানো কি?' সাধুৱে কয়—'এই দেওক পূজা দিব লাগিব কুকুৰাৰ মঙহেৰে।' মই আচৰিতৰো আচৰিত হৈ সাধুক সুধিলোঁ, 'কিনো কয় মহাৰাজ! দেও-

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

দেৱাতইনো কুকুৰাৰ মঙহ খায়নে?’ সাধুৱে কয়, ‘যি দেওৰ যি পূজা সেই কথা নাজানানে?’ একেৰাহে এমাহ ধৰি হেনো ফচলদেওক কুকুৰাৰ মঙহ জোহা চাউলৰ ভাতৰে সৈতে খুৱাব লাগিব, খুৱাব লাগিব মানে—সেই গছৰ খোৰোঙত থৈ আহিব লাগিব। ‘এইদৰে, এমাহ দিন ধৰি ফচলদেওক খুৱালেই তোমাৰ খেতি-পথাৰ শস্যেৰে উপচি পৰিব।”

আৰু পাছদিনাৰেপৰাই জোহা চাউলৰ ভাতৰে সৈতে কুকুৰাৰ মঙহ যত্নৰে ৰান্ধি, কলপাতেৰে মেৰিয়াই ভালকৈ বান্ধি, গছৰ খোৰোঙত ভালকৈ থৈ, পিছফাললৈ ঘূৰি নোচোৱাকৈ পোনে পোনেই ঘৰলৈ ঘূৰিছিল মালতীলতাজনীয়ে।

আৰু লগে লগে গছৰ ওপৰত ডাল-পাতৰ আঁৰত লুকাই বহি থকা সূৰ্য্যই গছৰপৰা নামি আহি মহা তৃপ্তিৰে টকালি মাৰি কুকুৰাৰ জোল-ভাত খাইছিল।

এইদৰে, উনত্ৰিছটা কুকুৰা উনত্ৰিছ দিনত খতম্। কিন্তু তথাপি খেতি-খোলাৰ একো উন্নতিৰ লা-লক্ষণ দেখা নগ’ল। তেতিয়া মালতীয়ে ভাবিলেঃ গছৰ খোৰোঙত থকা ফচলদেও আচলতে কি দেও তাৰ বা-বাতৰি ল’ব লাগিব। সেয়েহে, শেষৰ দিনা, ত্ৰিছ দিনৰ দিনা, তাই কুকুৰা-ভাত খোৰোঙত থৈ দিয়াৰ পাছত পিছফাললৈ নোচোৱাকৈ বহু দূৰলৈ



যোঁৰাৰ পাছত আন এজোপা গছৰ আঁৰ লৈ সেই গছৰ খোৰোঙলৈ ঘূৰি চোৱা হ'ল।

আৰু লগে লগে তাত তাই গিৰিয়েকক দেখা পাই শিলহেন অলৰ হৈ পৰিল। তাই ভৰি মাৰি গৈ গৈ সূৰ্য্যৰ পিঠিত ঔ পাৰিবলৈ ধৰিলে আৰু চিঞৰি চিঞৰি ক'লে, "তোমাৰ লগত আৰু নাথাকোঁ—নাথাকোঁ—নাথাকোঁ। মই এ—ত্তিয়াই মাৰ ওচৰলৈ গুচি যাম।"

যেন কথা তেন কাম, মালতীলতা তাইৰ নাম। বিৰাট পাচি এটাত তাইৰ নিজা বয়-বস্তুখিনি গোটাই-পিটাই লৈ, চুবুৰীয়াইঁতৰপৰা মেলানি মাগিবলৈ গ'ল তাই। আৰু এই ছেগতে, বিৰাট পাচিটোৰ ভিতৰত সূৰ্য্যনাৰায়ণ বহি থাকিল। সি তাৰ মূৰৰ ওপৰত মালতীৰ কাপোৰ-কানিখিনি থৈ নিজক ভালকৈ ঢাকি দিলে।

আৰু মালতীয়ে সঁচাসঁচিকৈ কান্দি কান্দি, পাচিটো মূৰত উঠাই লৈ. তাইৰ মাকৰ ঘৰলৈ বুলি খোজ ল'লে।

সকলো কথা শুনি মাকে জীয়েকক ক'লে, "ঘূৰি নাযাবি। আৰু থাক তই।"

তাৰ পাছত পাচিটোৰ বয়-বস্তুখিনি সামৰি-সুতৰি থ'ব বুলি ভাবি কাপোৰ-কানিখিনি গুচাওঁতেই পাচিৰপৰা সূৰ্য্য ওলাল। সূৰ্য্যই তাৰ শাহুৱেকক ক'লে, "বহু দিনৰ পাছত আহিলোঁ আৰু—। ভালে আছে নহয় ?"

তেতিয়া মালতীৰ মাকে ভাবিলে. যে এয়া আচলতে ইহঁত দুটাৰ বহি খোৱাৰ ফন্দীহে। মালতীৰ মাকে জেঁায়েক আৰু জীয়েককো ঘৰৰপৰা উলিয়াই দি দুৱাৰ বন্ধ কৰি দিলে।

নিৰুপায়ত পৰি মালতী সূৰ্য্যৰ সৈতে পুনৰ নিজৰ ঘৰলৈ উভতি গ'ল। তেতিয়াৰপৰা গাঁৱৰ ৰাইজে এইহালক যোৰৰো যোৰ 'পাভযোৰ' বুলি কৈছিল।



বান-প্ৰপাত

ব্ৰাজিল আৰু আৰ্জেণ্টাইনাৰ সীমান্তত থকা জল-প্ৰপাতৰপৰা বাৰিষাকালি একেৰাহে ৮০ দিন ধৰি ছেকেণ্ডে প্ৰতি ১৬৭,৫০০ ঘনফুট পানী পৰে। এই জল-প্ৰপাতৰ তলত থকা নৈ সাগৰ-সীমাতকৈ ২৫০ ফুট উচ্চ। এই উচ্চতাই পানী দুবাৰকৈ প্ৰবাহিত হোৱাত সৃষ্টি হোৱা বান-পানীয়ে যথেষ্ট অনিষ্ট কৰে।

পতাল-ফুটা বেং



দক্ষিণ আফ্ৰিকাত এবিধ বেং বা ভেকুলী আছে, যিবোৰ গোটেই জীৱন ধৰি পানীৰ তলত থাকে। এনেবোৰ বেঙৰ পিছঠেং দুখনত থকা দীঘল দীঘল নখেৰে ইহঁতে খাদ্য সংগ্ৰহ কৰে!

Also available:

- Omega Glory
- Omega Liba
- Omega World Time

Winner of Top PLEXCONCIL EXPORT AWARD- 1978-79-80-81-82-83-84-85

Omega– The ultimate in quality

Allied Instruments Pvt. Ltd.,
30-CD Government Industrial Estate
Kandivli (West), Bombay-400 067.
Phone: 692425 • 685068 • 696721 • 697188
Telex: 011-73369 AIPL •Cable ARTCORNER

Distributors: GREATER BOMBAY : **D. Jagjivandas & Company,** 177, Abdul Rehman Street, Bombay-400 003. Ph.: 326524 MAHARASHTRA : **A. Aalok & Company,** 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215 GUJARAT : **N. Chimanlal & Co.** 'Jesmin' Building, Near Firdaus Flats, Khanpur, Ahmedabad 380 001. Ph.: 395198/399570 DELHI, HARYANA PUNJAB, J.K. & HIMACHAL PRADESH : **Bharati Traders,** 89, Chawri Bazar, Delhi-110 006. Ph.: 262854 KARNATAKA ANDHRA PRADESH & GOA : **Sanghvi Corporation,** Suresh Bldg., No. 17, 4th Cross, Kalasipalayam, New Extension, Bangalore 560 002. Ph.: 225702. CALCUTTA & WEST BENGAL : **Sanghvi Corporation,** 14/1/1A, Jackson Lane, 2nd Floor, Calcutta-700 001. Ph.: 262141 UTTAR PRADESH : **Sanghvi Corporation,** 7-A, Balmiki Marg, Kaisar Bagh, Lucknow-(U.P.) Ph.: 48301.
TAMIL NADU : **Sanghvi Corporation,** Bafna Complex, 1st Floor, 35, Strotten Muthia Mudaliar Street, Madras-600 079. Ph.: 22304.
REST OF INDIA : **Sanghvi Corporation,** 107, Regal Industrial Estate, Acharya Donde Marg, Sewree (West), Bombay-400 015. Ph.: 4133295/4133215

3 Brothers/OS/2187

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৮ চনৰ ছেপ্‌টেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৮ চনৰ জুলাই মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)**
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৭ চনৰ মে' মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : তিনিকাল গৈ লাগিল একাল দ্বিতীয় ফটো : কালৰ বাঁহীৰে নুচুৰায় কাল

পুৰস্কাৰ প্ৰাপক : প্ৰণৱকুমাৰ দাশ, ৰাজবাৰী, উজানবজাৰ, গুৱাহাটী-১
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা

ভাৰতত বছৰেকীয়া বৰঙণি ৩০.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Now from Lion Pencils, here's another Novelty...
the Pearl finished **LION PINKY** pencil, a pretty pencil to behold.
Superb in looks, super smooth in writing with its HB Lead
strongly bonded to give you unbreakable points.

Also available with rubber tip and hexagonal

Other popular brands of Lion Pencils are:
Lion **MOTO,** Lion **TURBO,** Lion **SWEETY,** Lion **CONCORD,**
Lion Hi-Tech **METALLIC,** Lion **MASH-HOOR,** Lion **EXECUTIVE,**
Lion **NOVELTY,** Lion **GEEMATIC** Drawing Pencils
and **RATTAN** Colour Pencils & Wax Crayons.

LION PENCILS PVT. LTD. 95 Parijat, Marine Drive, Bombay 400 002.

National-407

বিজয়ী প্ৰতিযোগীসকললৈ

চান্দমামাই অভিনন্দন জনাইছে

মহান ভাৰতীয় পৰম্পৰা প্ৰতিযোগিতা

বাম্পাৰ বিভাগ

NISAKAR	**SOWRIYAPAL**	**HAMPI**
OTOKO	**KAMS**	**SULOCHANA**
Kamal Varma K-593, Lane No. 10 Dakshinpuri NEW DELHI-110 062	**Mangesh Mukund** C/o Dr.Mukund Narchari Shete Bungalow No. 32, Scheme No.4 Sector 21 Pradhikaran Nigadi, POONA-44	**Amrut Kumar Mohanty** C/o N. C. Mohanty Biologist, Urban Malaria Unit, S.B.D At/P.O Budharaja Dist: Sambalpur (ORISSA) Pin 768 004
I Prize	**II Prize**	**III Prize**

শ্ৰীজয়শ্ৰী দেৱী তেজপুৰ, শ্ৰীপ্ৰণৱ বৰা, গুৱাহাটী-৭৮১ ০০৩।, শ্ৰীদীপালি দাস, বৰপেটা।, শ্ৰীপাপৰি দাস, ৰঙিয়া, কামৰূপ, শ্ৰীপ্ৰদীপ ভূঞা, দুলীয়াজান, শ্ৰীবাবুল বৰা, নগাঁও, শ্ৰীপুলক কুমাৰ নাথ, মৰিগাঁও, নগাঁও, শ্ৰীদীপক কুমাৰ বাস্কে, নকছাৰী, যোৰহাট, শ্ৰীসুৰজিৎ সোণোৱাল, ডিগবৈ, শ্ৰীমতি বিভাৰাণী দেৱী গুৱাহাটী-৭৮১ ০১৯। শ্ৰীদক্ষিণা ৰাভা, গুৱাহাটী-৭৮১ ০০১। শ্ৰীকমলনাৰায়ণ বৰুৱা, গোৱালপাৰা, শ্ৰীঅনামিকা গোস্বামী, শিৱসাগৰ, বৰ্ণালী বৰ্মন, যোৰহাট-৭৮৫ ০০১। শ্ৰীপূৰবী দেৱী, বৰমা, নলবাৰী, শ্ৰীমুকুটচন্দ্ৰ ফুকন, টিংৰাই, মাকুম, শ্ৰীলয়নময় শৰ্মা কৌণ্ডিল্য, তেজপুৰ শ্ৰীবিনয় গগৈ, ডিগবৈ-৭৮৬ ১৭১, শ্ৰীআল্পনা শৰ্মা, গুৱাহাটী-৭৮১ ০০৯, মীৰাজ আহমদ গটঙ্গা, যোৰহাট,

Consolation prizes

Gautam Goswami (7.7.88)